
# অন্বেষণ

দশম বছৰ ■ পঞ্চম সংখ্যা ■ জুন, ২০২৩



## মহাৰ্ঘ্য বালি

## সাউদ ভোলানাথ বৰুৱা

## ছেৰী ফুলা উৎসৱ




দ্বৈত তাৰকা


অৰ্জুন গছ


দূবৰি বন

# অন্বেষণ

**দশম বছৰ, পঞ্চম সংখ্যা, জুন, ২০২৩ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **মহাৰ্ঘ্য বালি**
■ অভিজিত শৰ্মা বৰুৱা
৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী
৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী
৯ **দ্বৈত তাৰকা**
■ ছায়াস্মিতা বৈশ্য
১০ **আইন শিক্ষা**
■ জোনালী দেৱী
১২ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**
১৮ **ভাস্ক' ডা গামাৰ ভাৰত সন্ধেদ**
■ পৰিণীতা চেতিয়া
১৯ **১২০ বছৰীয়া বেংগল নেচাৰেল হিষ্টৰী মিউজিয়াম**
■ নিভা ৰাণী ৰায়
২১ **Did You Know**
■ Pallavi Dutta
২২ **Stories from World Classics**
■ Bhaktimala Saikia
২৩ **চুড'কু**
২৪ **স্মৰণীয় সময়, স্মৰণীয় ঘটনা**
■ অপৰ্ণা দেৱী
২৫ **সমাজৰ প্ৰতি সংগ্ৰহালয়ৰ অৱদান**
■ সাক্ষী প্ৰিয়ম্বদা
২৭ **প্ৰহেলিকা**
■ ঋতুমল্লিকা গোস্বামী
২৯ **পঢুৱৈৰ টোকা**
■ জ্যোতিষ্মান ডেকা
৩০ **নৈ**
■ ৰক্তিম ডেকা
৩০ **গুৱাহাটী**
■ সাগৰিকা কলিতা
৩০ **Thoughts**
■ Jagriti Baruah
৩০ **ঋতু**
■ নম্ৰতা কাশ্যপ
৩১ **মহাকাশচাৰী জন্তু**
■ নৱনীতা কলিতা
৩৩ **'ছেৰী ফুলা' উৎসৱ**
■ চন্দনা মেধি চৌধুৰী
৩৫ **কুইজ**
■ দীপাংকৰ কৌশিক
৩৬ **নাগশংকৰ মন্দিৰ**
■ বনালী বৰুৱা কাশ্যপ
৩৭ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন
৩৯ **বাণিজ্যে বসতে লক্ষ্মী**
■ পল্লৱী গোস্বামী

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : পূৰবী ৰাণী বৰা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আহি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# মহাৰ্ঘ্য বালি

■ অভিজিত শৰ্মা বৰুৱা




আমি পৃথিৱীৰ খোৱা পানীৰ সংকটৰ কথা গম পাইছোঁ, খাদ্য সংকটৰ বিষয়েও চৰ্চা কৰিছোঁ, কিন্তু আমি অপৰ্য্যাপ্ত বুলি ভবা বালিৰ সংকটত ভুগি পৃথিৱীখন যে এক অন্ধকাৰ ভৱিষ্যতৰ ফালে গৈ আছে, সেয়া আমি বহুতে ধাৰণা কৰিব পৰা নাই।

বালি হ'ল চিমেণ্ট আৰু পকী ৰাস্তাৰ মূল উপকৰণ। ৰাস্তা, দালান, দলং, শক্তিশালী আধাৰ—একো বালিৰ অবিহনে গঠন হ'ব নোৱাৰে। তদুপৰি ঘৰসমূহৰ খিৰিকী, গাড়ীৰ উইণ্ডস্ক্ৰীণ, স্মাৰ্টফ'ন স্ক্ৰীণ, লেপটপ স্ক্ৰীণ আদিৰো এক অপৰিহাৰ্য্য অংশ হ'ল—বালি।

## বালিনো আচলতে কি ?

বালি হ'ল একপ্ৰকাৰ দানাকাৰ (Granular) মিহি দ্ৰব্য, যিবোৰ মূলতঃ মণিকজাতীয় পদাৰ্থৰ পৰা সৃষ্টি হৈছে। যিহেতু বিভিন্ন মণিকজাতীয় পদাৰ্থৰ পৰা বালিৰ সৃষ্টি হৈছে, সেইবাবে তেনে বালিৰ ৰাসায়নিক গাঁথনিও বেলেগ হ'ব পাৰে। কিন্তু যিকোনো ধৰণৰ বালিৰ দানাৰ আকাৰৰ ক্ষেত্ৰত এক নিৰ্দিষ্ট মান থাকিলেহে তাক বালি বুলি কোৱা যাব, নহ'লে নহয়। বালিৰ দানাবোৰ গ্ৰেভেলৰ (Gravel) দানাতকৈ সৰু, কিন্তু ছিল্ট (Silt) বা বোকামাটিৰ দানাতকৈ ডাঙৰ। যদি কোনো মাটিত বালিৰ দানাৰ আকৃতিৰ কণা ৮৫ শতাংশ মানতকৈ বেছি হয়, তেন্তে তাক বালিমাটি বুলি কোৱা হয়। বালিৰ দানাবোৰৰ ব্যাস সাধাৰণতে ০.০২ মিলিমিটাৰমান হ'ব লাগে। অৱশ্যে মিহি, মজলীয়া আৰু ডাঙৰ প্ৰকাৰৰ বালিৰ দানাৰ ব্যাস কম-বেছি হ'ব পাৰে।

বালিৰ ৰাসায়নিক সংযুক্তি বিভিন্ন ধৰণৰ হ'ব পাৰে। সাধাৰণ বালিৰ মূল উপাংশ হ'ল ছিলিকা (ছিলিকন ডাই অক্সাইড)। এই ছিলিকা সাধাৰণতে কোৱাৰ্টজ ৰূপত থাকে। কেলছিয়াম কাৰ্বনেট হ'ল বালিৰ দ্বিতীয়টো সাধাৰণ উপাদান। ইয়াৰ উদাহৰণ হ'ল আৰাগ'নাইট (Aragonite) মণিকৰ পৰা সৃষ্টি হোৱা বালি। প্ৰায় ৫০০ নিযুত বছৰ আগৰ বিভিন্ন সাগৰীয় জীৱৰ (যেনে—প্ৰবাল, শ্বেলফিছ আদি) দেহাৱশেষৰ পৰা এনে বালিৰ সৃষ্টি হৈছিল। কেৰিবিয়ান অঞ্চলত প্ৰবাল দ্বীপসমূহে সেই অঞ্চলৰ পৰিবেশতন্ত্ৰত যথেষ্ট প্ৰভাৱ পেলাইছিল আৰু তাত বালি বুলিলে ইয়াকে বুজা যায়। আন কিছুমান বালিত কেলছিয়াম ছালফেটৰ দৰে পদাৰ্থও থাকে।

সকলো বালি একে নহয়। মৰুভূমিবোৰত থকা অপৰ্য্যাপ্ত বালি নিৰ্মাণ কাৰ্য্যৰ বাবে উপযুক্ত নহয়, তাৰ বালিৰ দানাবোৰ ঘূৰণীয়া আৰু সেইবাবে ভাল কংক্ৰিট সৃষ্টি কৰিব নোৱাৰে। নিৰ্মাণ কাৰ্য্যৰ বাবে উপযুক্ত বালি পোৱা যায় পানীৰ তলত (উদাহৰণস্বৰূপে, হ্ৰদ বা নদীৰ তলত)। তদুপৰি সমুদ্ৰৰ বালিচৰ আৰু নদীৰ পাৰতো তেনে বালি পোৱা যায়। নদীবোৰৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া পানী আৰু বতাহৰ ক্ৰিয়াৰ ফলত নদীৰ উজনি অংশত থকা শিলবোৰৰ বিভংগন ঘটে। সেই শিলৰ টুকুৰাবোৰে নদীৰ সোঁতত নামি আহে আৰু গেদৰ সৃষ্টি কৰে। সেই গেদবোৰৰ পুনৰ বিভংগন ঘটে আৰু সেইবোৰেই শেষত বালিত পৰিণত হয়। বালিত পৰিণত হোৱা প্ৰধান শিলবিধ হ'ল গ্ৰেনাইট।

## বালিৰ ব্যৱহাৰ

বালিৰ বহু ধৰণৰ ব্যৱহাৰ আছে। চমুকৈ সেইবোৰ হ'ল—

বালি হ'ল নিৰ্মাণ উদ্যোগৰ মূল দ্ৰব্য। বালি নহ'লে প্ৰকাণ্ড ঘৰ, কে'বামহলীয়া অট্টালিকা, ৰাস্তা-ঘাট-দলং, পানীৰ টেংকি আদি প্ৰায়ভাগ নিৰ্মাণ কাৰ্য্য সম্ভৱ নহয়।

ইটা তৈয়াৰ কৰিবৰ বাবে বালিৰ ব্যৱহাৰ হয়।

সমুদ্ৰৰ পাৰবোৰ সুৰক্ষিত কৰিবৰ বাবে বালি ব্যৱহাৰ কৰা হয়।

বালিৰ বস্তাই খহনীয়া আৰু বানপানী প্ৰতিহত কৰে।

খোৱা পানী ফিল্টাৰ কৰাৰ বাবে বালি অপৰিহাৰ্য্য দ্ৰব্য।

সাধাৰণ কাচ তৈয়াৰ কৰিবৰ বাবে বালিযুক্ত ছিলিকা ব্যৱহাৰ কৰা হয়।

বালিযুক্ত মাটিত তৰমুজ, জামু, বাদাম আদিৰ খেতি ভাল হয়।

একুৰিয়ামত বালি ব্যৱহাৰ কৰা হয়।

প্ৰাকৃতিক শৈল দেৱালৰ ৭৫ শতাংশই হ'ল ডাঙৰ বালিকণা।

পেইণ্টৰ সৈতে বালি মিহলালে এক সুন্দৰ ডিজাইন পোৱা যায়।

বালিৰ সহায়ত খেলিব পাৰি আৰু সুন্দৰ কলাও সৃষ্টি কৰিব পাৰি।

ড্ৰিলিং কাৰ্য্যত ফুটা বা ক্ৰেক বন্ধ কৰিবলৈ বালি ব্যৱহাৰ কৰা হয়।

ছিলিকন প্ৰস্তুত কৰিবলৈ কোৱাৰ্টজযুক্ত বালি ব্যৱহাৰ কৰা হয়।

আগতে পানীত তিওৱা বালিকে অপঘৰ্ষক ছেণ্ডপেপাৰৰ দ্ৰব্য হিচাপে ব্যৱহাৰ কৰা হৈছিল।

## বালিৰ চাহিদাৰ অস্বাভাৱিক বৃদ্ধি

পানীৰ পাছতে বালিয়েই হ'ল আটাইতকৈ বেছি ব্যৱহৃত প্ৰাকৃতিক সম্পদ। আনহাতে বালি হ'ল এক নবীকৰণ অযোগ্য সম্পদ। মূলতঃ কংক্ৰিট সৃষ্টি কৰিব পৰা গুণৰ বাবে বালিৰ চাহিদা খুব বেছি। কিন্তু বালিৰ চাহিদাৰ বিপৰীতে ইয়াৰ ভাণ্ডাৰ ক্ৰমে কমি আহিছে। বালিৰ গোলকীয় ব্যৱহাৰ বৃদ্ধিৰ লগে লগে বালিৰ সংকটে দেখা দিছে। গতিকে আমাৰ ব্যৱহাৰযোগ্য বালি এসময়ত নোহোৱা হৈ যাব পাৰে।

প্ৰকৃততে পৃথিৱীখন বিকশিত হৈ উঠা বাবে আৰু বিকাশৰ লগত সম্পৰ্কিত পথ, দলং, ঘৰ, বহুমহলীয়া দালান আদি নিৰ্মাণৰ বাবে বালিৰ ব্যৱহাৰ ক্ৰমে বাঢ়ি আহিছে। ভাৰত, ইণ্ডোনেছিয়া, চীন দেশকে ধৰি কিছুমান দেশত বালিৰ নাটনিৰ বিষয়টোৱে বেছ গুৰুত্ব পাইছে। পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেছি বালি ব্যৱহাৰ কৰে চীন দেশে। এই দেশে বিশ্বৰ মুঠ ব্যৱহৃত বালিৰ প্ৰায় আধা অংশ ব্যৱহাৰ কৰে। দক্ষিণ-পূব এছিয়াৰ ক্ষুদ্ৰ দ্বীপসমূহত খনন চলোৱা হৈছে কেৱল বালিৰ বাবেই।

বিশ্বৰ কিছুমান অঞ্চলত বালিৰ পৰিমাণ যথেষ্ট হ'লেও আন কিছুমান অঞ্চলত বালিৰ পৰিমাণ বহু কম আৰু তাত স্থানীয় সংকটৰ সৃষ্টি হৈছে।

## এক অনাকাংক্ষিত 'মাইলৰ খুঁটি'

২০২০ চনত আমি এক অনাকাংক্ষিত 'মাইলৰ খুঁটি'ত উপনীত হ'লোঁ। সেই চনতে পৃথিৱীপৃষ্ঠত মানৱসৃষ্ট ভৰৰ পৰিমাণ প্ৰাকৃতিক জীৱভৰতকৈ বেছি হৈ গ'ল। এই যে মানৱসৃষ্ট ভৰ বা গাঁথনিসমূহ, তাৰ বেছি ভাগতে বালি আছে আৰু সেইবাবে আমি বালিৰ সংকটলৈ আগ বাঢ়ি গৈ আছোঁ।

প্ৰতি বছৰে আমি বিভিন্ন ঘৰ-দালান-অট্টালিকা নিৰ্মাণৰ বাবে আৰু আহল-বহল পকী ৰাস্তা নিৰ্মাণৰ বাবে প্ৰায় ৫০ বিলিয়ন টন বালি, গ্ৰেভেল আৰু শিল নিষ্কাসন কৰি আহিছোঁ। আমি বৰ্তমান যি হাৰত বালি ব্যৱহাৰ কৰি আছোঁ, সেই একে হাৰতে যদি ব্যৱহাৰ কৰি যাওঁ, তেন্তে ২০৬০ চনত আমি এতিয়াতকৈ দুগুণ বালি ব্যৱহাৰ কৰিম। তাৰ যি প্ৰভাৱ এই বিশ্বত পৰিব, সেয়া পৰিৱেশতন্ত্ৰত নেতিবাচক ক্ৰিয়া কৰাৰ বাবে আৰু লগতে সামাজিক দ্বন্দ্ব সৃষ্টিৰ বাবে যথেষ্ট হ'ব। বালিৰ খননে নদীৰ পাৰৰ লগতে সমুদ্ৰৰ বালিচৰ ধ্বংস কৰিব আৰু জীৱবৈচিত্ৰ্যত ঋণাত্মক পৰিবৰ্তন আনিব।

## বালিৰ অন্যান্য প্ৰভাৱ

বালিয়ে আমাৰ পৰিবেশতন্ত্ৰত যথেষ্ট প্ৰভাৱ পেলায়; গতিকে বালি কমি গ'লে বা বালি নাথাকিলে পৰিবেশ, মানুহ, জীৱ-জন্তু আদিৰ বহুত সমস্যা হ'ব।

জীৱ-জন্তুৰ বহু প্ৰজাতিয়ে পাহাৰৰ বালিয়ৰি বা নদীৰ বালিৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থাকে। কাছকে ধৰি কিছুমান প্ৰাণী বালিৰ গাঁতত থাকে। একে সময়তে সেইবোৰ হ'ল মানুহৰ বাবে উপযুক্ত পৰিবেশতন্ত্ৰৰ একো একোটা উপাদান। ভূতলৰ পানী ফিল্টাৰ কৰাত, মূল ভূখণ্ডক বানপানীৰ পৰা ৰক্ষা কৰাত আৰু খাদ্য উৎপাদনত বালিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

আমাৰ বাবে এতিয়া মূল সমস্যা হৈছে—ব্যৱহাৰযোগ্য বালিৰ উৎসবোৰ অত্যধিকভাৱে ব্যৱহাৰ কৰা হৈছে আৰু ফলত বালিৰ সুচল যোগান কমি আহিছে। বালিৰ চোৰাং ব্যৱসায়ীসকলেও ৰাতিৰ অন্ধকাৰত বালি খনন কৰি সেই সমস্যা বৃদ্ধি কৰিছে আৰু ফলত যিবোৰ অঞ্চল ইতিমধ্যেই বিপদৰ দুৱাৰডলিত উপনীত হৈছে, সেই অঞ্চলবোৰৰ বিপদ ত্বৰান্বিত হোৱাত সহায় কৰিছে।

## সমস্যা সমাধানৰ উপায়

বালিৰ সংকটৰ সমস্যা সমাধান কৰাৰ মূল উপায় হ'ল—বালিৰ ব্যৱহাৰ কমোৱা, পুনৰ ব্যৱহাৰ কৰা আৰু বালিযুক্ত গাঁথনিৰ পুনঃচক্ৰীকৰণ কৰা আৰু বালি উদ্যোগটোক নিয়ন্ত্ৰণ কৰা।

বালিৰ ক্ষেত্ৰত খেলিমেলিভাৱে যি ধৰণৰ খনন চলি আছে বা যেনেদৰে অপৰিকল্পিতভাৱে বালিৰ যোগান ধৰা হৈ আহিছে, সেইবোৰ পদ্ধতিগত কৰাই হ'ব পাৰে বালিৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰথম খোজ। বালিক মুক্তভাৱে পোৱা যায় বুলি সকলোৱে ভাবে বাবে উদ্যোগ হিচাপে বালি উদ্যোগে ঠন ধৰি উঠা নাই। সেইবাবে বালি উদ্যোগক নিৰীক্ষণ কৰাৰ বিশেষ ব্যৱস্থা নাই। গতিকে প্ৰথমে বালিৰ যোগান শৃংখলটো সুনিৰ্দিষ্ট কৰিব লাগিব।

প্ৰাকৃতিক বালিৰ ব্যৱহাৰ কমোৱাৰ এক পদ্ধতি হ'ল কিছুমান শিল চূৰ্ণ-বিচূৰ্ণ কৰি কৃত্ৰিম বালিৰ সৃষ্টি কৰা, নতুন গৃহ নাসাজি যিমান পাৰি আগৰ ঘৰবোৰকে ব্যৱহাৰ কৰা আৰু ডাঙৰ দালানবোৰ কিবা কাৰণত ভাঙি পেলাবলগীয়া হ'লে তাত ব্যৱহৃত বালিৰ পুনঃচক্ৰীকৰণ কৰা।

বালিৰ সংকট কমাবলৈ আন কিছুমান কামো কৰিব পাৰি। আমি বাস কৰা ঘৰবোৰৰ স্থায়িত্ব বঢ়াব লাগিব, নতুন ঘৰ সাজিলে পুৰণি ঘৰৰ উপাংশবোৰ যাতে ব্যৱহাৰ কৰিব পাৰি সেই কথাও মন কৰিব লাগিব।

নিউজিলেণ্ডত কাচৰ খালী বটলবোৰ বালিত পৰিণত কৰাৰ এক প্ৰকল্পৰ সফলভাৱে ৰূপায়ণ কৰা হৈছে। যিবোৰ সামগ্ৰী উৎপাদন কৰিবলৈ বালি নহ'লেই নহয়, পাৰিলে সেইবোৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ সলনি বিকল্প সামগ্ৰী ব্যৱহাৰ কৰিব লাগে।

এতিয়া আমাৰ মাজত জনমূৰি মজিয়া-কালি (floor area) বেছি কৰা, নগৰীকৰণ বৃদ্ধি কৰা আদি চিন্তাবোৰ বেছ জনপ্ৰিয় হৈ পৰিছে। আমি তেনে চিন্তাৰ বিপৰীতে চিন্তা কৰিব লাগিব, যাতে বিশ্বত বাকী থকা উপযুক্ত বালিৰ ভাণ্ডাৰৰ ওপৰত বিশেষ হেঁচা নপৰে। ❖

# কুইজৰ উত্তৰসমূহ

১। আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা ২। মহিলাৰ বিশ্ব বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক বিজয়ী ৩। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু ৪। নিপন গোস্বামী ৫। The Elephant Whisperers শ্ৰেষ্ঠ চুটি তথ্যচিত্ৰ শিতানত ৬। জিণ্টিমণি কলিতা ৭। গামোচাৰ জিআই টেগ ৮। ছাত্ৰ দিৱস Students' day ৯। পুৰুষৰ টী-২০ আন্তঃৰাষ্ট্ৰীয় মেচ পৰিচালনা কৰা বিশ্বৰ প্ৰথম মহিলা আম্পায়াৰ ১০। হেমচন্দ্ৰ বৰুৱা ১১। বিজয় চৌধুৰী ১২। সত্যজিৎ বৰদলৈ ১৩। ভুল সত্য। মনোজ গোস্বামীৰ। সাহিত্য অকাডেমি বঁটা বিজয়ী অসমীয়া গ্ৰন্থ ১৪। ২০২২ চনৰ শান্তিৰ ন'বেল বঁটা বিজয়ী ১৫। বিশ্ব বেংক। অজয় বাংগা

## কৰ্ণাটক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ জয়লাভ


যোৱা ১০ মে' তাৰিখে অনুষ্ঠিত কৰ্ণাটক বিধানসভা নিৰ্বাচনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে শাসনাধিষ্ঠ বিজেপি দলক পৰাভূত কৰি একক সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিবলৈ সক্ষম হয়। ১৩ মে' তাৰিখে ঘোষিত ফলাফল অনুসৰি ২২৪ জনীয়া বিধানসভাত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে ১৩৫খন আসন লাভ কৰাৰ বিপৰীতে শাসকীয় বিজেপি দলে ৬৬খন আসন, জনতা দলে (ছেকুলাৰ) ১৯খন আৰু অন্যান্যই ৪ খন আসন লাভ কৰে। ২০১৮ চনৰ নিৰ্বাচনৰ তুলনাত কংগ্ৰেছ দলে এই বৰ্ষত ৫৭খন আসনত নতুনকৈ জয়লাভ কৰে আৰু মুঠ ভোটাৰৰ ৪৩ শতাংশ ভোট লাভ কৰিবলৈ সমৰ্থ হয়। ২০ মে' তাৰিখে পূৰ্বৰ মুখ্যমন্ত্ৰী ৭৬ বছৰ বয়সীয়া ছিদ্দাৰামায়াই ৰাজ্যখনৰ ২৪ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ডিকে শিৱকুমাৰে উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

## এছ'চিয়েটেড প্ৰেছৰ সাংবাদিকলৈ পুলিৎজাৰ বঁটা

যোৱা ৯ মে' তাৰিখে ২০২৩ বৰ্ষৰ পুলিৎজাৰ বঁটা এছ'চিয়েটেড প্ৰেছৰ চাৰিগৰাকী সাংবাদিকক প্ৰদান কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এই বিশ্বপ্ৰসিদ্ধ বঁটা চলিত বৰ্ষত সাংবাদিকতা আৰু সাহিত্যৰ মুঠ ২৩টা শিতানত প্ৰদানৰ কথা ঘোষণা কৰা হৈছে। পুলিৎজাৰ বঁটা প্ৰদান সমিতিৰ মুখ্য প্ৰশাসক মাৰ্জোৰী মিলাৰে বঁটা বিজয়ীসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰি ২৩টা বঁটাৰ ১৫টা সাংবাদিকতা আৰু ৮টা সাহিত্য-কলা শিতানত দিয়াৰ কথা ঘোষণা কৰে। যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ মাৰিঅ'পলত ৰাছিয়াই চলোৱা ভয়ংকৰ আক্ৰমণৰ প্ৰতিবেদনৰ বাবে এছ'চিয়েটেড প্ৰেছৰ চাৰিগৰাকী সাংবাদিকক সাংবাদিকতাৰ শীৰ্ষ জনসেৱা শিতানত এই বঁটা আগ বঢ়োৱা হৈছে। বঁটা লাভ কৰিবলৈ সমৰ্থ হোৱা সংবাদিককেইগৰাকী হৈছে—মিষ্টিশ্লেভ ছাৰ্নেভ, ইভজেনী মালুলেটকা, ভাছিলিছা ষ্টেপানেক' আৰু লাৰি হিন্নণ্ট। ৰাষ্ট্ৰীয় প্ৰতিবেদন আৰু প্ৰবন্ধ শিতানত ৱাশ্বিংটন পোষ্টে দুটা বঁটা লাভ কৰাৰ বিপৰীতে নিউয়ৰ্ক টাইমছে সৰ্বমুঠ তিনিটা পুলিৎজাৰ বঁটাৰে সন্মানিত হয়। সাহিত্য-কলা শিতানত কাহিনী শাখাত যুটীয়াভাৱে বাৰবাৰা কিংছলভাৱে 'ডেমন কপাৰহেড' আৰু হাৰনান ডীয়াজে 'ট্ৰাষ্ট' গ্ৰন্থৰ বাবে পুলিৎজাৰ বঁটা লাভ কৰে।

## ৰাজ্যিক বিজ্ঞান বঁটা ঘোষণা


যোৱা ১১ মে' তাৰিখে অসম চৰকাৰে ৰাজ্যিক বিজ্ঞান বঁটা প্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ২০২২ আৰু ২০২৩ বৰ্ষৰ বাবে ৰাজ্য চৰকাৰে পাঁচজন ব্যক্তি তথা অনুষ্ঠানলৈ বিজ্ঞান বঁটা আগ বঢ়োৱাৰ কথা প্ৰকাশ কৰে। অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ ঘোষণা অনুসৰি কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, অধ্যাপক ড° কমলেন্দু দেৱ ক্ৰোড়ীয়ে ২০২২ বৰ্ষৰ বাবে ৰাজ্যিক বিজ্ঞান বঁটাৰ জীৱনজোৰা সাধনা সন্মান লাভ কৰে। লগতে তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° মুনমুন দেৱীয়ে ২০২২ বৰ্ষৰ যুৱ বিজ্ঞানী তথা উদ্ভাৱনী বঁটা লাভ কৰিবলৈ সমৰ্থ হয়।


*ড° কমলেন্দু দেৱ ক্ৰোড়ী*

তদুপৰি ২০২৩ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটাৰ জীৱনজোৰা সাধনা সন্মান তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য অধ্যাপক ড° কিশোৰীমোহন পাঠকলৈ আগ বঢ়োৱা হয়। ২০২৩ বৰ্ষৰ যুৱ বিজ্ঞানী তথা উদ্ভাৱনী বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে গুৱাহাটী আইআইটিৰ আৰ্টিফিচিয়েল ইণ্টেলিজেন্স বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱাংগৰাজ নেওগে। লগতে ২০২৩ বৰ্ষত অসমত বৈজ্ঞানিক গৱেষণাত উদগনি যোগোৱা বাবে বিশ্বনাথৰ

‘আকাশ বিজ্ঞান আৰু পৰিবেশ শিক্ষা কেন্দ্ৰ’লৈ ৰাজ্যিক বিজ্ঞান বঁটা আগ বঢ়োৱা হয়।

## যশস্বী অভিনেতা মিহিৰজ্যোতি বৰুৱাৰ দেহাৱসান



অসমৰ সাংস্কৃতিক জগতখনৰ জনপ্ৰিয় অভিনেতা, বিশিষ্ট শিল্পী মিহিৰজ্যোতি বৰুৱাৰ যোৱা ৯ মে’ তাৰিখে ৫৮ বছৰ বয়সত দেহাৱসান ঘটে। গোলাঘাট নগৰৰ ষ্টেছন ৰ’ডত জন্মগ্ৰহণ কৰা অভিনেতাগৰাকীয়ে ছাত্ৰ অৱস্থাৰ পৰাই নিজৰ অভিনয় দক্ষতাৰে দৰ্শকৰ মন মুহিবলৈ সক্ষম হৈছিল। আব্দুল মজিদ পৰিচালিত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত ‘চামেলি মেমচাব’ ছবিখনত শিশু শিল্পী হিচাপে আত্মপ্ৰকাশ কৰা বৰুৱাই পৰৱৰ্তী সময়ত ‘সূৰ্য্য তেজৰ অন্য নাম’ কথাছবিখনত কৰা অনবদ্য অভিনয়েৰে জনগণৰ মাজত বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। বাৰুদ, বন্ধন, সৰু বোৱাৰী আদি চলচ্চিত্ৰত অভিনয় কৰা বৰুৱাই বিগত সুদীৰ্ঘ ২০ বছৰ কাল ভ্ৰাম্যমাণ থিয়েটাৰত দুৰ্দান্ত অভিনয় কৰি বিশেষ সুখ্যাতি অৰ্জন কৰিছিল।

## এছিয়ান বেডমিণ্টনৰ ডাবল্‌ছত সাত্ত্বিক, ছিৰাগৰ স্বৰ্ণ পদক

সুদীৰ্ঘ ৫৮ বছৰৰ প্ৰতীক্ষাৰ অৱসান ঘটাই এছিয়ান বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তাৰকা ডাবল্‌ছ যুটি সাত্ত্বিক ৰণকিৰেড্ডী আৰু ছিৰাগ ছেট্টীয়ে স্বৰ্ণ পদক লাভ কৰি ইতিহাস ৰচনা কৰে। ৩০ এপ্ৰিল তাৰিখে ডুবাইত অনুষ্ঠিত এই প্ৰতিযোগিতাত ২০২২ বৰ্ষৰ বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ী ভাৰতীয় যুটিটোৱে মালয়ছিয়ান যুটি আং য়েউ ছিন আৰু টেয়’ই ৰাইক তিনি ছেটৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ১৬-১২, ২১-১৭, ২১-১৯ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে এছিয়ান বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ কেৱল দীনেশ খান্নাইহে ১৯৬৫ চনত পুৰুষৰ ছিংগল্‌ছত স্বৰ্ণ পদক লাভ কৰিছিল।

## ৰজা চাৰ্লছ্‌-তৃতীয়ৰ ৰাজঅভিষেক সম্পন্ন



যোৱা ৬ মে’ তাৰিখে চাৰ্লছ্‌-তৃতীয়ই এক ৰাজঅভিষেক অনুষ্ঠানত ইংলণ্ডৰ সম্ৰাট হিচাপে আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে। ২০২২ বৰ্ষৰ ছেপ্টেম্বৰ মাহত ইংলণ্ডৰ মহাৰাণী এলিজাবেথ-দ্বিতীয়ৰ মৃত্যু হোৱাত পুত্ৰ চাৰ্লছ্‌-তৃতীয়ক সিংহাসনৰ দায়িত্ব প্ৰদান কৰা হৈছিল। চাৰ্লছ্‌-তৃতীয়ই ৱেষ্টমিনষ্টাৰ আবে গীৰ্জাঘৰত দুঘণ্টাজোৰা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ইংলণ্ডৰ সম্ৰাট হিচাপে ৰাজহুৱাকৈ দায়িত্ব গ্ৰহণ কৰে। ৭৪ বছৰীয়া চাৰ্লছ্‌-তৃতীয়ৰ ৰাজ্যভিষেক অনুষ্ঠানত বিভিন্ন দেশৰ নেতৃবৰ্গৰ লগতে ভাৰতৰ উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশখনক এই অনুষ্ঠানত প্ৰতিনিধিত্ব কৰে।

## প্ৰধান মন্ত্ৰী মোডীৰ বিদেশ ভ্ৰমণ : মোডীলৈ ফিজি আৰু পাপুৱা নিউগিনিৰ সৰ্বোচ্চ সন্মান

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ১৯ মে’ তাৰিখৰ পৰা ২৪ মে’ তাৰিখলৈ তিনিখন দেশ ভ্ৰমণ কৰি কেইবাখনো গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে ভ্ৰমণৰ আৰম্ভণিতে জাপানৰ হিৰোশ্বিমাত উপস্থিত হৈ জি-চেভেন (G-7) সন্মিলনত অংশগ্ৰহণ কৰে আৰু হিৰোশ্বিমাত জাতিৰ পিতা মহাত্মা গান্ধীৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, ইংলণ্ড, জাৰ্মানী আদি দেশৰ জি-চেভেন শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী মোডীয়ে জি-২০ দেশসমূহৰ মুৰব্বী হিচাপে অংশগ্ৰহণ কৰে। এই সন্মিলনত ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণক অবৈধ বুলি

ঘোষণা কৰা হয়। তদুপৰি প্ৰধানমন্ত্ৰী মোডীয়ে তৃতীয় কোৱাড সন্মিলনত অংশগ্ৰহণ কৰি এই দেশবোৰৰ মাজত খাদ্য, গোলকীয় উষ্ণতা, শক্তি উৎপাদন আদি বিষয়ত একেলগে কাম কৰাৰ বুজাবুজি চুক্তিত উপনীত হয়। ২২ মে'ত প্ৰধানমন্ত্ৰী মোডী প্ৰশান্ত মহাসাগৰীয় ১৪ খন দেশৰ তৃতীয় শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে পাপুৱা নিউগিনিত উপস্থিত হয়। সন্মিলনত মহাসাগৰীয় দ্বীপ ৰাষ্ট্ৰসমূহৰ লগত ভাৰতৰ মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰিত হয় আৰু চীনৰ বেআইনী আগ্ৰাসনক বাধা দিবলৈ ঐক্যবদ্ধভাৱে কাম কৰি যাবলৈ অংগীকাৰবদ্ধ হয়। প্ৰধানমন্ত্ৰী মোডীক ফিজিৰ প্ৰধানমন্ত্ৰী চিতিভেনী ৰাবুকাই দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান 'কম্পেনিয়ন অব দ্যা অৰ্দাৰ অৱ ফিজি' প্ৰদান কৰে। আন্তঃৰাষ্ট্ৰীয় নেতৃত্বৰ স্বীকৃতিস্বৰূপে প্ৰধানমন্ত্ৰী মোডীক পাপুৱা নিউগিনিয়েও দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'গ্ৰেণ্ড কম্পেনিয়ন অৱ দ্যা অৰ্দাৰ অৱ ল'গোণ্ড' প্ৰদান কৰে।

## আইপিএলত চেন্নাই ছুপাৰ কিংছ চেম্পিয়ন




যোৱা ২৯ মে' তাৰিখে আহমেদাবাদত অনুষ্ঠিত ১৬ সংখ্যক আইপিএল প্ৰতিযোগিতাত যোৱা বৰ্ষৰ বিজয়ী গুজৰাট টাইটানছক পৰাজিত কৰি চেন্নাই ছুপাৰ কিংছে চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেল খেলখনত গুজৰাট টাইটানছৰ ৪ উইকেটত ২১৪ ৰানৰ প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে ডাকৱৰ্থ-লিৱিছ নিয়মৰ আধাৰত ১৫ অভাৰত ১৭১ ৰানৰ লক্ষ্য অতিক্ৰম কৰি পঞ্চমবাৰৰ বাবে চেম্পিয়নৰ খিতাপ দখল কৰে। মুঠ ১০টা দলে অংশগ্ৰহণ কৰা এই বৰ্ষৰ খেলত গুজৰাট টাইটানছৰ শুভমন গীলে তিনিটা শতকসহ ৮৯০ ৰাণ কৰি অৰেঞ্জ কেপ আৰু প্ৰতিযোগিতাৰ আটাইতকৈ মূল্যৱান খেলুৱৈৰ বঁটা লাভ কৰে।

## নতুন সংসদ ভৱন উদ্বোধন



যোৱা ২৮ মে' তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰতৰ নতুনকৈ নিৰ্মাণ কৰি উলিওৱা সংসদ ভৱনটো আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। ৮৬২ কোটি টকা ব্যয় সাপেক্ষে ২৯ মাহত নিৰ্মাণ সম্পূৰ্ণ কৰি উলিওৱা ৪ মহলীয়া ভৱনটো টাটা প্ৰপাৰ্টিজ লিমিটেডে স্থপতিবিদ বিমল পেটেলৰ নক্সাৰ আধাৰত নিৰ্মাণ কৰিছে। দেশৰ পুৰাতন সংস্কৃতি প্ৰতিফলিত কৰা নতুন সংসদ ভৱনৰ চৌহদৰ পৰিসৰ হৈছে ৬৪,৫০০ বৰ্গমিটাৰ। ভৱনটোক মুখ্য দ্বাৰ তিনিখন ক্ৰমে জ্ঞান দ্বাৰ, শক্তি দ্বাৰ আৰু কৰ্ম দ্বাৰ নামেৰে নামকৰণ কৰা হৈছে। চেণ্ট্ৰেল ভিষ্টা পুনৰ্বিকাশ প্ৰকল্প (Central Vista Redevelopment Project) হিচাপে গঢ়ি তোলা নতুন সংসদ ভৱনৰ লোকসভাৰ অধ্যক্ষৰ আসনৰ ওচৰত প্ৰধান মন্ত্ৰীয়ে 'ছেঙল' অৰ্থাৎ ৰাজদণ্ড প্ৰতিষ্ঠা কৰে। ১৯৪৭ চনৰ ১৪ আগষ্টত ক্ষমতা হস্তান্তৰৰ প্ৰতীক হিচাপে এই 'ছেঙল' অৰ্থাৎ ৰাজদণ্ডডাল লৰ্ড মাউণ্টবেটেনে জৱাহৰলাল নেহৰুক অৰ্পণ কৰিছিল। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

# খবৰৰ লেছেৰি বোটলা

**(২১ এপ্ৰিল, ২০২৩ৰ পৰা ২০ মে', ২০২৩লৈ)**

২২ **এপ্ৰিল :** ব্ৰহ্মপুত্ৰ নদীৰ তলেৰে ইন্দ্ৰধনুষ গেছ গ্ৰীড লিমিটেডে যোৰহাট-মাজুলী সংযোগী এছিয়াৰ দীৰ্ঘতম গেছ পাইপলাইন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে।

২৪ **এপ্ৰিল :** অষ্ট্ৰেলিয়াৰ ঐতিহাসিক ছিডনী ক্ৰিকেট গ্ৰাউণ্ডৰ প্ৰৱেশদ্বাৰৰ নামকৰণ ভাৰতৰত্ন (ক্ৰিকেটাৰ) শচীন তেণ্ডুলকাৰৰ নামেৰে নামকৰণ কৰা হয়।

- ৭৩ বছৰীয়া ৰাজনীতিক মহম্মদ ছাহাবুদ্দিনে বাংলাদেশৰ ২২ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰে।

২৫ **এপ্ৰিল :** পঞ্জাবৰ পাঁচবাৰৰ মুখ্যমন্ত্ৰী তথা শিৰোমণি আকালি দলৰ প্ৰাক্তন মুৰব্বী প্ৰকাশ সিং বাদলৰ ৯৬ বছৰ বয়সত মৃত্যু হয়।

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কেৰালাত দেশৰ প্ৰথমখন 'ৱাটাৰ মেট্ৰ' সেৱা' মুকলি কৰে।

২৮ **এপ্ৰিল :** ৬৮ সংখ্যক ফিল্মফেয়াৰ প্ৰতিযোগিতাত অসমৰ সুমন অধিকাৰীয়ে শ্ৰেষ্ঠ কাহিনী আৰু শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হয়।

২৯ **এপ্ৰিল :** ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিক চেম্পিয়নশ্বিপত অসমৰ মেহদী হাছানে ল'ৰাৰ ১৫০০ মিটাৰ দৌৰত স্বৰ্ণ পদক লাভ কৰে।

৩০ **এপ্ৰিল :** আমেৰিকা যুক্তৰাষ্ট্ৰত দেৱালীক ৰাষ্ট্ৰীয় বন্ধৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

- হেমকোষৰ ব্ৰেইল সংস্কৰণেৰে বিশ্ব অভিলেখ গঢ়াৰ প্ৰমাণপত্ৰ 'গীনিজ বুকে' হেমকোষ প্ৰকাশনক প্ৰদান কৰে।

৮ **মে' :** আৰ্জেণ্টিনাৰ কিংবদন্তি ফুটবলাৰ লিঅ'নেল মেছিয়ে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ ক্ৰীড়াবিদৰ 'ল'ৰিয়াছ ৱৰ্ল্ড স্প'ৰ্টছ এৱাৰ্ড' লাভ কৰে।

৯ **মে' :** ৰাষ্ট্ৰীয় ১৭ বছৰ অনূৰ্দ্ধ দবা প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ লাভ কৰি অসমৰ মায়ংক চক্ৰৱৰ্তীয়ে বিশ্ব যুৱ দবা প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰে।

১০ **মে' :** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ জিলাৰ নাৰায়ণপুৰত শ্ৰীশ্ৰীমাধৱদেৱৰ কলাক্ষেত্ৰ উদ্বোধন কৰে।

১১ **মে' :** উচ্চতম ন্যায়ালয়ে উপ-ৰাজ্যপালৰ পৰিবৰ্তে দিল্লীৰ চৰকাৰক সকলো প্ৰশাসনীয় সেৱাৰ ক্ষমতা অৰ্পণ কৰে।

১২ **মে' :** আইআইএছএফ শ্যুটিং বিশ্বকাপ প্ৰতিযোগিতাত অসমৰ হৃদয় হাজৰিকাই ৰূপৰ পদক অৰ্জন কৰে।

১৫ **মে' :** বলীউড তথা হলীউডৰ জনপ্ৰিয় অভিনেতা অসমৰ আদিল হুছেইনে ইংলণ্ড চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে।

১৬ **মে' :** ২০২৩-২৪ বৰ্ষ বিশ্বৰ আটাইতকৈ উষ্ণ বৰ্ষ হ'ব বুলি ৰাষ্ট্ৰসংঘৰ বতৰ বিজ্ঞানী সংস্থাই ঘোষণা কৰে।

১৭ **মে' :** সকলো জিলাৰ উপায়ুক্তক 'জিলা আয়ুক্ত' হিচাপে গণ্য কৰা হ'ব বুলি অসম চৰকাৰে ঘোষণা কৰে।

- 'দা ৱায়াৰ'ৰ মুখ্য সাংবাদিক সংগীতা বৰুৱা পিছাৰটিক পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰা হয়।

১৮ **মে' :** দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত (জেএনইউ) শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠা কৰিবলৈ অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

- ২৬সংখ্যক নেছনেল ফেডাৰেছন কাপ চেম্পিয়নশ্বিপত পুৰুষৰ ২০০ মিটাৰ দৌৰত অম্লান বৰগোহাঁইয়ে স্বৰ্ণ পদক লাভ কৰে।

১৯ **মে' :** কেন্দ্ৰীয় চৰকাৰে আগন্তুক ৩০ ছেপ্টেম্বৰৰ ভিতৰত ২০০০ টকাৰ মুদ্ৰাৰ প্ৰচলন বন্ধ কৰিব বুলি ঘোষণা কৰে।

২০ **মে' :** জাপানৰ হিৰোছিমাত অনুষ্ঠিত জি-৭ৰ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অংশগ্ৰহণ কৰে আৰু বৈঠকত ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণক অবৈধ বুলি প্ৰস্তাৱ গ্ৰহণ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# দ্বৈত তাৰকা

■ ছায়াস্মিতা বৈশ্য

**আধুনিক সংজ্ঞা অনুসৰি দ্বৈত তাৰকা হ'ল এযোৰ তৰা যি দুটাই সিহঁতৰ সাধাৰণ ভৰকেন্দ্ৰৰ (Common Centre of mass) চাৰিওফালে ঘূৰি থাকে। দ্বৈত তৰা দুটাৰ যিটো তৰা তুলনামূলকভাৱে বেছি উজ্জ্বল সেইটোক মুখ্য তৰা আৰু যিটো তুলনামূলকভাৱে কম উজ্জ্বল সেইটোক গৌণ তৰা বোলে।**



অনুমান কৰা হৈছে যে হাতীপটি (Milkyway) তাৰকাৰাজ্যৰ প্ৰায় এক-তৃতীয়াংশ তৰা ব্যৱস্থাই দ্বৈত (Binary) অথবা একাধিক (Multiple) তৰা ব্যৱস্থা। আনহাতে বাকী দুই-তৃতীয়াংশ তৰা এককভাৱে থাকে।

দ্বৈত তাৰকাৰ অধ্যয়ন প্ৰাচীন গ্ৰীক জ্যোতিৰ্বিজ্ঞানী হিপাৰকাছ (Hipparchus) আৰু টলেমিৰ (Ptolemy) নেতৃত্বতেই আৰম্ভ হৈছিল। তেওঁলোকে লক্ষ্য কৰিছিল যে কিছুমান তৰা আকাশত একেলগে গতি কৰা যেন লাগে। কিন্তু ১৭ শতিকাত টেলিস্ক'প আৱিষ্কাৰ হোৱা পৰ্য্যন্ত জ্যোতিৰ্বিজ্ঞানীসকলে দ্বৈত তাৰকাৰ প্ৰকৃত স্বৰূপ বুজিব পৰা নাছিল।

গোটেই ১৭ শতিকাজুৰি দ্বৈত তাৰকাৰ বিষয়ে টাইকো ব্ৰাহে (Tycho Brahe) আৰু জন কেপলাৰকে (Johannes Kepler) ধৰি বহু জ্যোতিৰ্বিজ্ঞানীয়ে অধ্যয়ন কৰিছিল, দুয়োজনে ইয়াৰ বিষয়ে বিভিন্ন গুৰুত্বপূৰ্ণ পৰ্য্যবেক্ষণ আৰু তথ্য যুগুত কৰিছিল। দ্বৈত তাৰকা ব্যৱস্থাৰ আৱিষ্কাৰৰ কৃতিত্ব ইংৰাজ জ্যোতিৰ্বিজ্ঞানী উইলিয়াম হাৰ্চেলক (William Herschel) দিয়া হয় যদিও তেওঁৰ পূৰ্বেও গেলিলিঅ' গেলিলি (Galileo Galilei) আৰু খৃষ্টিয়ান হাইগেন্‌ছৰ (Christian Huygens) দৰে জ্যোতিৰ্বিজ্ঞানীসকলেও দ্বৈত তাৰকা পৰ্য্যবেক্ষণ কৰিছিল। দ্বৈত তাৰকাৰ আৱিষ্কাৰ এনে এক প্ৰক্ৰিয়া য'ত কেইবা শতিকাজুৰি একাধিক জ্যোতিৰ্বিজ্ঞানী জড়িত হৈ আছিল।

দ্বৈত তাৰকা হৈছে দুটা তৰা, যি দুটাই মহাকৰ্ষণীয়ভাৱে ইটোৱে সিটোৰ চাৰিওফালে কক্ষপথত ঘূৰি থাকে। ৰাতি আকাশত খালী চকুৰে দ্বৈত তাৰকাসমূহক একক তৰা হিচাপে দেখা যায়, কিন্তু টেলিস্ক'পৰ সহায়ত পৃথক তৰা হিচাপে দেখা যায়।

আধুনিক সংজ্ঞা অনুসৰি দ্বৈত তৰা হ'ল এযোৰ তৰা যি দুটাই সিহঁতৰ সাধাৰণ ভৰকেন্দ্ৰৰ (Common Centre of mass) চাৰিওফালে ঘূৰি থাকে। দ্বৈত তৰা দুটাৰ যিটো তৰা তুলনামূলকভাৱে বেছি উজ্জ্বল সেইটোক মুখ্য তৰা আৰু যিটো তুলনামূলকভাৱে কম উজ্জ্বল সেইটোক গৌণ তৰা বোলে।

যেতিয়া গেছ আৰু ধূলিৰ ডাৱৰ (Cloud of gas and dust) মহাকৰ্ষণৰ প্ৰভাৱত লগ হয়, তেতিয়া প্ৰ'ট'ষ্টাৰ (তৰাৰ প্ৰাথমিক পৰ্য্যায়) গঠন হয়। প্ৰ'ট'ষ্টাৰৰ সংকোচন হোৱাৰ লগে লগে ই দ্ৰুতগতিত ঘূৰিবলৈ ধৰে। ফলত ই চেপেটা কাঁহীৰ আকৃতিলৈ সলনি হয়। এইখনক প্ৰ'ট'প্লেনেটৰী ডিস্ক (Protoplanetary disc) বোলে, ইয়াৰ পৰাই গ্ৰহ গঠন হয়। প্ৰ'ট'ষ্টাৰ সংকুচিত হৈ এটা কেন্দ্ৰীয় অঞ্চল গঠন হয় আৰু অৱশেষত ই এটা পূৰ্ণাংগ তৰালৈ ৰূপান্তৰিত হয়। কোনো কোনো ক্ষেত্ৰত তাত আৰু অতিৰিক্ত প্ৰচুৰ পৰিমাণৰ গেছ আৰু ধূলিও থাকি যায়, তেতিয়া আৰু আন এটা প্ৰ'ট'ষ্টাৰ গঠন হ'ব পাৰে, যাৰ ফলত দ্বৈত তৰাৰ সৃষ্টি হয়। এলক'ৰ

(Alcor) আৰু মিজাৰ (Mizar) নামৰ তৰা দুটা হ'ল প্ৰথম আৱিষ্কৃত দ্বৈত তৰা।

পৰ্য্যবেক্ষণৰ ভিত্তিত দ্বৈত তাৰকাসমূহক বিভিন্ন ভাগত ভাগ কৰা হৈছে :

১। **ভিজুৱেল বাইনাৰী** (Visual binaries) : এনে দ্বৈত তাৰকা টেলিস্ক'পৰ জৰিয়তে প্ৰত্যক্ষভাৱে পৰ্য্যবেক্ষণ কৰিলে দুটা পৃথক তৰা হিচাপে দেখা যায়।

২। **স্পেক্‌ট্ৰ'স্ক'পিক বাইনাৰী** (Spectroscopic binaries) : এনে তৰা এটা আনটোৰ যথেষ্ট ওচৰত থাকে বাবে পৃথকভাৱে দৃশ্যমান নহয়, কিন্তু তাৰ পৰা অহা পোহৰ পৰ্য্যবেক্ষণৰ দ্বাৰা দুটা তৰাৰ অস্তিত্ব ধৰা পেলাব পাৰি।

৩। **ইক্লিপ্‌ছিং বাইনাৰী** (Eclipsing binaries) : এনে দ্বৈত তৰাই পৰ্য্যায় অনুসৰি এটাই আনটোৰ সন্মুখেৰে পাৰ হৈ যায়।

৪। **এছট্ৰ'মেট্ৰিক বাইনাৰী** (Astrometric binaries) : এনে দ্বৈত তাৰকা ব্যৱস্থাৰ এটা তৰাৰ পোহৰ অতি ক্ষীণ হোৱা হেতুকে সহজতে দৃশ্যমান নহয়। আনটো উজ্জ্বল তৰাৰ অৱস্থান আৰু গতিৰ বিশ্লেষণ কৰি ইয়াৰ উপস্থিতি ধৰা পেলাব পাৰি।

দ্বৈত তাৰকাৰ তৰা দুটাৰ ভৰ আৰু আকাৰ বেলেগ বেলেগ হোৱাৰ উপৰি ইটোৱে সিটোক অতি ওচৰত থাকি অথবা দূৰত থাকি প্ৰদক্ষিণ কৰে। মহাকৰ্ষণ বলে দ্বৈত তাৰকাৰ তৰাবোৰৰ আকাৰ, উষ্ণতা, উজ্জ্বলতা আদিত প্ৰভাৱ পেলায়। ❖



# আইন শিক্ষা

■ **জোনালী দেৱী**



'আইনৰ অধ্যয়ন বিভিন্ন দৃষ্টিকোণৰ পৰা উপযোগী। আইন অধ্যয়নে এজন ব্যক্তিক নিজৰ বাবে, চুবুৰীয়াসকলৰ বাবে আৰু জনসাধাৰণৰ বাবে উপযোগী হ'বলৈ যোগ্য কৰি তোলে।'—কথাষাৰৰ বক্তা থমাছ জেফাৰছন ( Thomas Jefferson)। থমাছ জেফাৰছন আছিল এজন আমেৰিকান ৰাজনীতিবিদ, কূটনীতিবিদ, উকীল, স্থপতিবিদ আৰু দাৰ্শনিক। তেওঁ ১৮০১ চনৰ পৰা ১৮০৯ চনলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

আইন শিক্ষা কেৱল এটা কেৰিয়াৰ বিকল্প নহয়, এই শিক্ষাই আমাক সমাজৰ বিভিন্ন পৰ্য্যায়ৰ ব্যক্তিসকলক বিভিন্ন ধৰণে সহায় কৰিবলৈ, তেওঁলোকক তেওঁলোকৰ মৌলিক অধিকাৰৰ বিষয়ে সজাগ কৰি তুলিবলৈ বা সু-পৰামৰ্শ দানেৰে সহায় কৰিবলৈ সক্ষম কৰি তোলে। এইখিনিতে আমি মন কৰিব লাগিব যে, আদালত বা ন্যায়াধীশৰ আগত যুক্তি প্ৰদৰ্শন কৰাই আইন শিক্ষাৰ মূল উদ্দেশ্য নহয়। এই শিক্ষাৰ আন এক বহল পৰিসৰো আছে—আইনী বিবাদৰ লগতে বিভিন্ন বিষয়ত চৰকাৰী সংস্থা, ব্যৱসায়ী আৰু অনুষ্ঠানক পৰামৰ্শ দিয়াৰ উপৰি, আইন স্নাতকসকলে ন্যায়াধীশ (Judge), মোকৰ্দমাকাৰী (Litagator), পৰামৰ্শদাতা (Consultant), বিশ্লেষক (Analyst) আদি হিচাপেও কাম কৰিব পাৰে।

কোনো শিক্ষাৰ্থীয়ে যদি আইন বিষয়ত নিজৰ কেৰিয়াৰ গঢ় দিব বিচাৰে, তেনেহ'লে তেওঁলোকে দুটা পাঠ্যক্ৰমৰ জৰিয়তে এই অধ্যয়ন কৰিব পাৰে। প্ৰথম— দ্বাদশৰ পাছত ৫ বছৰীয়া আইন শিক্ষাৰ স্নাতক ডিগ্ৰী, দ্বিতীয়তে—স্নাতকৰ পাছত ৩ বছৰীয়া আইনৰ ডিগ্ৰী পাঠ্যক্ৰমত নামভৰ্তি কৰি।

যিসকল শিক্ষাৰ্থীয়ে দ্বাদশৰ (যিকোনো শাখা) পাছত ৫ বছৰীয়া সমন্বিত আইন পাঠ্যক্ৰম (5 years Integrated Law Course) যেনে—বিএ- এলএলবি, বিকম-এলএলবি, বিএছচি-এলএলবি, বিবিএ-এলএলবি আদি পাঠ্যক্ৰমত নামভৰ্তি কৰিব বিচাৰে, তেওঁলোকে দ্বাদশৰ পাছত ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয়ৰ কনছৰ্টিয়ামে (The Consortium of National Law Universities) অনুষ্ঠিত কৰা চিএলএটি (Common Law Admission Test, CLAT), ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয়, দিল্লীয়ে (National Law University, Delhi) অনুষ্ঠিত কৰা সৰ্বভাৰতীয় আইন প্ৰবেশ পৰীক্ষা (All India Law Entrance Test, AILET) বা আন চৰকাৰী অথবা বেচৰকাৰী বিশ্ববিদ্যালয়সমূহে নিজাববীয়াকৈ অনুষ্ঠিত কৰা প্ৰবেশ পৰীক্ষাসমূহত অৱতীৰ্ণ হ'ব পাৰে। এই প্ৰবেশ পৰীক্ষাসমূহৰ অধিসূচনা প্ৰতি বছৰে আগষ্ট মাহত অনলাইন আৰু অফলাইনযোগে প্ৰকাশিত হয় আৰু প্ৰতিবছৰে ডিচেম্বৰ মাহত এই প্ৰবেশ পৰীক্ষাসমূহ অনুষ্ঠিত হয়। পাঁচ বছৰীয়া সমন্বিত এলএলবি পাঠ্যক্ৰমক মূল দুটা ভাগত ভগাব পাৰি—

**১। কলা স্নাতক-এলএলবি (বিএ, এলএলবি)** (BA, LLB) : এই পাঠক্ৰমত কলা শাখাৰ অন্তৰ্গত বিষয়, যেনে—ইতিহাস, ৰাজনীতিবিজ্ঞান, ভূগোল, সমাজ বিজ্ঞান, অৰ্থনীতি আদি বিষয়ৰ লগত আইনৰ বিভিন্ন বিষয়, যেনে—আইনী ক্ষতিপূৰণ, চিপিচি (Code of Civil Procedure, CPC), কৰ্প'ৰেট আইন (Corporate Law), ন্যায়শাস্ত্ৰ (Jurisprudence), আন্তৰ্জাতিক বাণিজ্য আইন (International Trade Law), সাংবিধানিক আইন (Constitutional Law), প্ৰশাসনিক আইন (Administrative Law), শ্ৰম আইন (Labour Law), ফৌজদাৰী আইন (Criminal Law) আদি বিষয় অন্তৰ্গত।

**২। বিজ্ঞানৰ স্নাতক-এলএলবি** (BSc, LLB) : বিজ্ঞানৰ বিষয়, যেনে—পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জৈৱপ্ৰযুক্তি আদিৰ লগতে আইন বিষয় অধ্যয়নৰ প্ৰতি আগ্ৰহী শিক্ষাৰ্থীসকলে এই পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰে। ইয়াতো উল্লিখিত আইনৰ বিষয়সমূহ অন্তৰ্ভুক্ত থাকে।

**৩। বাণিজ্য স্নাতক-এলএলবি** (B Com, LLB): এই পাঠ্যক্ৰমত শিক্ষাৰ্থীসকলে বাণিজ্য শাখাৰ বিষয়, যেনে—অৰ্থনীতি (Economics), একাউণ্টিং (Accounting), পৰিসংখ্যা (Statistics) আদিৰ লগত আইন অধ্যয়ন কৰাৰ সুবিধা লাভ কৰে।

ইয়াৰ উপৰি ৫ বছৰীয়া সমন্বিত আইন পাঠ্যক্ৰমত— বিজনেছ এডমিনিষ্ট্ৰেছন স্নাতক— এলএলবি (BBA, LLB), সামাজিক কৰ্মৰ স্নাতক— এলএলবি (BSW, LLB), বেচেলৰ অফ টেকন'লজি-এলএলবি (BTech, LLB) আদি অন্যান্য পাঠ্যক্ৰমো আছে।।

**৩ বছৰীয়া আইনৰ ডিগ্ৰী :**

যিসকল শিক্ষাৰ্থীয়ে স্নাতকৰ (যিকোনো শাখা) পাছত আইন অধ্যয়ন কৰিব বিচাৰে তেওঁলোকে স্নাতকৰ পাছত ৩ বছৰীয়া আইনৰ স্নাতক ডিগ্ৰীৰ পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰে। এই ৩ বছৰীয়া আইনৰ পাঠ্যক্ৰমত কলা, বাণিজ্য বা বিজ্ঞান বিষয়ৰ কোনো পাঠ্যক্ৰম অন্তৰ্ভুক্ত নাথাকে।

এই পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে প্ৰতি বছৰে আইনৰ বিদ্যালয় বা বিশ্ববিদ্যালয়সমূহে নিজাববীয়াকৈ প্ৰবেশ পৰীক্ষা অনুষ্ঠিত কৰে। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (এপ্ৰিল)

১। ভল্গা ২। ছুইজাৰলেণ্ড ৩। কিউছিউ ৪। মাক্ৰান ৫। মংগোলিয়া

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# অভিনয় শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা



কলাগুৰু, সৈনিকশিল্পী, গণশিল্পী, কমৰেড আদি বিভিন্ন অভিধাৰে বিভূষিত বিষ্ণুপ্ৰসাদ ৰাভা আছিল একাধাৰে গীতিকাৰ, সুৰকাৰ, নৃত্য বিশাৰদ, অভিনেতা, খেলুৱৈ, চিত্ৰকৰ, ৰাজনৈতিক কৰ্মী। অসমীয়া সমাজ আৰু সংস্কৃতিলৈ তেওঁ আগ বঢ়াই যোৱা অৱদান সকলো লোকেই গভীৰ শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বিষ্ণুপ্ৰসাদ ৰাভা এজন নিখুঁত অভিনেতা তথা সুদক্ষ পৰিচালক আছিল। বহু নাটক আৰু কেইবাখনো চলচ্চিত্ৰত তেওঁ অভিনয় কৰিছিল। অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই নাট্যাভিনয়ৰ পাতনি মেলিছিল আঠ বছৰ বয়সত। ঢাকা নগৰত মঞ্চস্থ এখন নাটকত প্ৰথম ৰাজকোঁৱৰৰ ভাৰত তেওঁ অভিনয় কৰিছিল। নাটকখনৰ নাম আছিল হৰিশ্চন্দ্ৰ। তেজপুৰৰ বাণ ৰংগমঞ্চত নিয়মীয়াকৈ অভিনয় কৰা বিষ্ণু ৰাভাই বিভিন্ন সময়ত অসমৰ বিভিন্ন মঞ্চত অভিনয় কৰিছিল। গ্ৰাম'ফ'ন ৰেকৰ্ডত তেওঁ বহুসংখ্যক নাট প্ৰযোজনা কৰিছিল। তেওঁ নটসূৰ্য্য ফণী শৰ্মাৰ লগত 'কাৰাগাৰ' নাটকত কংসৰ চৰিত্ৰ, 'নাদিৰছাহ' নাটকত নাদিৰছাহ, 'চিৰাজ' নাটকত আঘোণা লগুৱা, 'আলি বাবা' নাটকত মাৰ্জিয়ানা, 'মিছৰ কুমাৰী' নাটকত মিছৰৰ পুৰোহিত চামন্দেৰ ইত্যাদি চৰিত্ৰত বলিষ্ঠ অভিনয় কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই ড° ভূপেন হাজৰিকা পৰিচালিত 'এৰাবাটৰ সুৰ' কথাছবিত ভুজলং কাকাৰ চৰিত্ৰত অভিনয় কৰিছিল। এইখন কথাছবিৰ তেওঁ প্ৰধান উপদেষ্টাও আছিল। 'জয়মতী' আৰু 'মনোমতী' কথাছবিত নৃত্য পৰিচালনা কৰা ৰাভাদেৱে ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা বাংলা কথাছবি 'মাহুত বন্ধুৰে'ত জনজাতীয় এটা মাউতৰ চৰিত্ৰ ৰূপায়ণ কৰিছিল। 'প্ৰতিধ্বনি', 'চিৰাজ' আদি চলচ্চিত্ৰতো তেওঁ সুন্দৰ অভিনয় কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাট পৰিচালনা কৰোঁতেও ৰাভাই সংগীত পৰিচালনাৰ দায়িত্ব লৈছিল আৰু সুদৰ্শনৰ চৰিত্ৰত অভিনয়ো কৰিছিল। ইয়াৰ উপৰি ভ্ৰাম্যমাণ থিয়েটাৰ নটৰাজ, ৰূপকোঁৱৰ, ভাগ্যদেৱী, পূৰ্বজ্যোতি আৰু সুৰদেৱীৰ তেওঁ পথ-প্ৰদৰ্শক আছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ কণ্ঠস্বৰ আছিল গুৰুগম্ভীৰ, তেওঁ আছিল সুন্দৰ-সুঠাম ব্যক্তিত্বৰ অধিকাৰী। বিষ্ণুপ্ৰসাদ ৰাভাৰ অভিনয় দক্ষতাই মানুহক সহজে আকৰ্ষণ কৰিছিল। 'কলাগুৰু' ৰাভাদেৱৰ অভিনয় প্ৰতিভাকো অসমৰ ৰাইজে চিৰদিন মনত ৰাখিব। ❖

# অসমীয়া ফকৰা-যোজনা

## ফুটুকানিতো বাঘ থাকে



বাঘ সাধাৰণতে ডাঙৰ হাবিত থাকে। সেয়েহে ডাঙৰ হাবি বা জয়াল অৰণ্যত বাঘ থাকিব পাৰে বুলি মানুহ সচেতন হৈ থাকে। কিন্তু বাঘে প্ৰয়োজন হ'লে ফুটুকা গছেৰে ভৰা ফুটুকানিতো আত্মগোপন কৰি থাকিব পাৰে। ফুটুকানি সৰু হাবি হ'লেও কেতিয়াবা তাতো বাঘ লুকাই থাকি মানুহ অথবা আন জীৱ-জন্তুৰ অনিষ্ট সাধিব পাৰে। এই যোজনাফাকিৰ অন্তৰ্নিহিত অৰ্থ হ'ল সচৰাচৰ নিৰাপদ বুলি ভবা ঠাই বা কামতো ডাঙৰ বিপদৰ সম্ভাৱনা থাকিব পাৰে।

**প্ৰায়োগিক বাক্য : তই যে ইমান বেপৰোৱা হৈ দিনে-নিশাই ঘূৰিবলৈ লৈছ—অলপ সাৱধান হ'বি, ফুটুকানিতো বাঘ থাকে। ❖**


## পানীত থাকি ঘঁৰিয়ালৰ লগত শত্ৰুতা



ঘঁৰিয়াল পানীত থাকে। পানীত ঘঁৰিয়ালৰ অবাধ ৰাজত্ব। ইহঁতৰ স্বভাৱো হিংস্ৰ। সেয়েহে পানীত থকা আন ক্ষুদ্ৰ প্ৰাণীয়ে ঘঁৰিয়ালৰ লগত শত্ৰুতা কৰিলে নিজৰে অনিষ্ট হোৱাৰ সম্ভাৱনা বেছি। গতিকে পানীত থকা প্ৰাণীয়ে নিজৰ সুৰক্ষাৰ খাতিৰতে ঘঁৰিয়ালৰ সৈতে মিলি থাকিব লগা হয়। এই যোজনাফাকিৰ অৰ্থ হ'ল ক্ষমতাশালী আৰু অবিবেচক হিংস্ৰজনৰ লগত শত্ৰুতা এৰি চলাই যুগুত। অন্যথা নিজৰে বিপদ আহিব পাৰে।

**প্ৰায়োগিক বাক্য : হ'ল বুলিনো আৰু গাঁওবুঢ়াৰ লগত কিমান যুঁজিবি; পানীত থাকি ঘঁৰিয়ালৰ লগত শত্ৰুতা কৰিলে নিজৰহে বিপদ। ❖**

# চন্দ্ৰই পাহৰে তৰাৰ গণনা




তোমালোকে বাৰু আকাশত তৰা গণি পাইছানে? হাজাৰ-বিজাৰ তৰাৰে ভৰি থকা আকাশখন দেখিলে এফালৰ পৰা তৰাবোৰ গণিবলৈ বৰ মন যায়। কিন্তু আমি কোনেও কেতিয়াও তৰাবোৰ গণি শেষ কৰিব নোৱাৰোঁ। এই তৰাবোৰ গণনা কৰাৰ এটা মজাৰ কাহিনী আছে। হিন্দী ভাষাত সঞ্জীৱ জয়চোৱাল নামৰ লেখকজনে লিখা 'চন্দা গিনতী ভুল গয়া' নামৰ কিতাপখনত এদিন চন্দ্ৰই তৰা গণনা কৰাৰ মনোৰম কাহিনী আছে। কিতাপখনৰ মতে, এদিন ধুনীয়া, মৰমলগা চন্দ্ৰটোৱে প্ৰতিদিনৰ দৰে ৰাতি ফুৰিবলৈ গৈ তৰাবোৰ গণিবলৈ লাগিল। আকাশৰ এচুকত নিৰলে বহি চন্দ্ৰই এক, দুইকৈ তৰাবোৰ গণিবলৈ ধৰিলে। গণোতে গণোতে ৰাতি পুৱাল। সূৰুযেও ভুমুকি মাৰিলে। চন্দ্ৰৰ হিচাপত খেলিমেলি লাগিল। পাছদিনা নিশাও তৰা গণি গণি চন্দ্ৰই শেষ কৰিব নোৱাৰিলে। সদায় ৰাতি ৰাতি তৰা গণি গণি শেষ কৰিব নোৱাৰি চন্দ্ৰৰ বৰ বেজাৰ লাগিল আৰু কান্দিবলৈ ধৰিলে। চন্দ্ৰৰ কান্দোন দেখি সূৰুযৰ হাঁহি উঠিল আৰু আকাশৰ তৰাবোৰ সূৰুযেই গণি দিব বুলি চন্দ্ৰক আশ্বাস দিলে। কিন্তু সূৰুযেনো তৰাবোৰ গণে কেনেকৈ? সূৰ্য্য ওলোৱাৰ সময়ততো আকাশত তৰাবোৰ নাথাকেই। এইবাৰ চন্দ্ৰই সূৰুযক তৰাবোৰ গণি নিদিয়াৰ বাবে বৰ বেয়া পালে। অথচ বহু চেষ্টা কৰিও সূৰুযে ক'তো এটা তৰাও দেখিবলৈ নাপালে। সূৰ্য্যই হাবি-বননি সকলোতে তৰা বিচাৰি চলাথ কৰিলে; আনকি পৰ্বতবোৰো দাঙি চালে। কিন্তু এদিন তৰা বিচাৰি বিচাৰি ঘূৰি ফুৰোঁতে হঠাৎ সূৰুযে এজাক মৰমলগা শিশুৱে গান এটা গাই থকা শুনিবলৈ পালে—

"মৰমলগা শিশুৱে আছে সৌ ধৰাখনি ভৰি,
সিমান জানিবা তৰাও আছে এই আকাশতে পৰি।"

নিজে বিচাৰি থকা প্ৰশ্নটোৰ উত্তৰ পাই সূৰ্য্যৰ মনটো বৰ ভাল লাগিল আৰু চন্দ্ৰক এই খবৰটো দিবলৈ ঢাপলি মেলিলে। এই ধুনীয়া কাহিনীটো 'চন্দ্ৰই পাহৰে তৰাৰ গণনা' নামেৰে অসমীয়ালৈ অনুবাদ কৰিছে দীপ শইকীয়াই। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## গুৱাহাটীৰ দিছপুৰ অসমৰ ৰাজধানী হয় কেতিয়া?

অতীজত বহু ৰজা-মহাৰজাৰ ৰাজধানী গুৱাহাটীৰ প্ৰাচীন নাম প্ৰাগজ্যোতিষপুৰ। ইয়াৰ অৰ্থ প্ৰাচ্যৰ জ্যোতিষ বিদ্যাৰ নগৰ। কোনো কোনোৱে 'প্ৰাচ্যৰ পোহৰ' অৰ্থতো এই ভূখণ্ডৰ নাম প্ৰাগজ্যোতিষপুৰ হোৱা বুলি কয়। আহোম ৰাজত্বৰ সময়ছোৱাত ১৬৮১ চনৰ পৰা গুৱাহাটী নামনি অসমৰ সদৰ ঠাই হয়। ইয়াৰ শাসনকৰ্তাজনক বৰফুকন উপাধি প্ৰদান কৰা হৈছিল। গুৱাহাটীৰ প্ৰবেশ পথসমূহত আহোম শাসনকৰ্তাই একোটিকৈ চকী নিৰ্মাণ কৰিছিল। সেই সময়ত আহোম ৰজাসকলে গুৱাহাটী আৰু ইয়াৰ আশে-পাশে কেইবাটিও মন্দিৰ নিৰ্মাণ কৰোৱায়। ১৮২৬ চনত ইংৰাজে অসম অধিকাৰ কৰাৰ পাছত ১৮৭৪ চনত শ্বিলঙলৈ ৰাজধানী স্থানান্তৰ নকৰালৈকে গুৱাহাটী অসমৰ ৰাজধানী আছিল। ১৯৭২ চনৰ ফেব্ৰুৱাৰীত অসমৰ ৰাজধানী অস্থায়ীভাৱে গুৱাহাটীলৈ (দিছপুৰ) স্থানান্তৰ কৰা হয়। দিছপুৰত অসম বিধানসভাৰ প্ৰথমখন অধিবেশন বহে ১৯৭৩ চনৰ ১৬ মাৰ্চত। ইয়াৰ পাছত ২০০৪ চনৰ ২১ নৱেম্বৰত গুৱাহাটীৰ দিছপুৰত অসমৰ স্থায়ী ৰাজধানী স্থাপন কৰা হয়। ❖

## টুথ ব্ৰাছৰ আৱিষ্কাৰ

টুথ ব্ৰাছৰ এক আদিম সংস্কৰণ খৃষ্টপূৰ্ব ৩০০০ মানতে আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত মানুহে কোমল গছৰ দাঁতোন ব্যৱহাৰ কৰিছিল আৰু দাঁতত ঘঁহি ঘঁহি দাঁত চাফা কৰিছিল। ১৪৯৮ চনত চীনত এক ধৰণৰ টুথ ব্ৰাছ আৱিষ্কাৰ হয়। সেই টুথ ব্ৰাছত ব্যৱহাৰ কৰা ডাঠ চুলিৰ দৰে অংশবোৰ আছিল গাহৰিজাতীয় এবিধ জন্তুৰ ডিঙিৰ টান নোম। সেইবোৰ বাঁহ বা হাড়ৰ হেণ্ডেলত কোঁচাকৈ সংযুক্ত কৰি এনে ব্ৰাছ তৈয়াৰ কৰা হৈছিল।



১৭৪২ চনত গ্ৰেট বৃটেইনত বৰ্তমান আমি ব্যৱহাৰ কৰি থকা ধৰণৰ টুথ ব্ৰাছৰ আদিতম সংস্কৰণ আৱিষ্কাৰ হয়। ইয়াৰ পাছত ১৭৮০ চনত উইলিয়াম আডিছ নামৰ এজন ইংৰাজ কাৰাবন্দীয়ে কাৰাগাৰত থকা অৱস্থাতে এডাল হাড়ত সৰু সৰু ফুটা কৰি তাত এজন ৰখীয়াই যোগান ধৰা জন্তুৰ টান নোম বান্ধি টুথ ব্ৰাছ সাজি উলিয়ায়। সেইডালেই আছিল প্ৰথম আধুনিক টুথ ব্ৰাছ। আডিছ যেতিয়া কাৰাগাৰৰ পৰা ওলাল তেতিয়া তেওঁ সেই ব্ৰাছৰ বাণিজ্যিক উৎপাদন আৰম্ভ কৰে আৰু সোনকালে এজন ধনী ব্যৱসায়ী হৈ পৰে। ❖

*(উৎস : জ্ঞান-বিজ্ঞানৰ কি ক'ত কিয় কেতিয়া, শান্তনু কৌশিক বৰুৱা)*

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| উদাহৰণ | example | শোষণ, নিপীড়ন | exploitation |
| খনন | excavation | অৱসান, অন্ত | expiry |
| অতিৰিক্ত, ওপৰঞ্চি | excess | বিস্ফোৰক | explosive |
| বিনিময় | exchange | স্পষ্ট | explicit, distinct |
| আবকাৰী শুল্ক | excise duty | প্ৰকাশ কৰা | express |
| আবকাৰী আয়ুক্ত | excise commissioner | ৰপ্তানি | export |
| উত্তেজনা | excitement | ৰপ্তানি শুল্ক | export duty |
| চৰম পন্থী | extremist | আদায় কৰা | extract |
| নিৰ্বাসন | exile | বৈদেশিক | external |
| প্ৰদৰ্শনী | exhibition | আকস্মিক | extempore |
| চৰম | extreme | বৈদেশিক পৰিক্ৰমা | external affairs |
| প্ৰস্থান | exit | বাহিৰভাগ | exterior |
| ব্যয়, খৰচ | expenditure | বলেৰে আদায়কৰণ | extortion |
| বিশেষজ্ঞ | expert | তথ্য | fact |
| অভিযান | expedition | খৰচী, অমিতব্যয়ী | extravagant ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমৰ ঔষধি গছ



**দূবৰি বন :** ইংৰাজী নাম : Scutch grass, বৈজ্ঞানিক নাম : *Cynodon dactylon* : আমাৰ সকলোৰে পৰিচিত দূবৰি বন এবিধ ঘাঁহজাতীয় ঔষধি উদ্ভিদ। ভাৰতীয় সংস্কৃতিত দূবৰি বনৰ বিশেষ মহত্ত্ব আছে। ই পয়েচিয়া (Poaceae) পৰিয়ালৰ অন্তৰ্গত। আফ্ৰিকা মহাদেশৰ স্থানীয় ঘাঁহবিধ বৰ্তমান গোটেই বিশ্বতে পোৰা যায়। দূবৰিৰ পাত সেউজীয়া ৰঙৰ আৰু ইয়াৰ গুৰি প্ৰায় ২ৰ পৰা ১৫ ছেমি. দীঘল হয়। উচ্চ উষ্ণতাত ইয়াৰ বৃদ্ধি ভাল হয়। শীতকালত ইয়াৰ বৃদ্ধি আটাইতকৈ কম হয়। সাধাৰণ কটা-ছিঙাৰ পৰা আৰম্ভ কৰি বিভিন্ন গুৰুতৰ ৰোগত দূবৰি বন ব্যৱহাৰ কৰা হয়। ই এবিধ সৌন্দৰ্য্যবৰ্দ্ধক উদ্ভিদ। উদ্যানৰ ঘাঁহ হিচাপেও দূবৰি বন ব্যৱহাৰ কৰা হয়। নিয়ৰত তিতা কোমল দূবৰি বনৰ ওপৰত খোজ কাঢ়িবলৈ ভাল। বাতবিষ, পিত্ত আৰু কফ, ৰক্তক্ষৰণ, চুলি সৰা ইত্যাদি বিভিন্ন ৰোগত দূবৰি বনক মহৌষধ হিচাপে গণ্য কৰা হয়। ❖



**অৰ্জুন গছ :** ইংৰাজী নাম : Arjuna tree, বৈজ্ঞানিক নাম : *Terminalia arjuna :* অৰ্জুন গছ এবিধ কম্ব্ৰিটেচিয়া (Combretaceae) পৰিয়ালৰ অন্তৰ্গত চিৰসেউজীয়া উদ্ভিদ। অৰ্জুন গছৰ জীৱনকাল দীঘলীয়া। ই এবিধ দ্বিবীজপত্ৰী উদ্ভিদ। ইয়াৰ শিপা মুখ্য মূলজাতীয় আৰু পাত জাল সিৰাবিন্যাস যুক্ত। এইবিধ গছৰ উচ্চতা প্ৰায় ২০ৰ পৰা ২৫ মিটাৰ হোৱা দেখা যায়। এই গছৰ ফলবোৰ দেখাত কৰ্দৈ টেঙাৰ দৰে। অৰ্জুন গছৰ পাত বল্লম আকৃতিৰ। ইয়াৰ গা-গছৰ ৰং পাতল হালধীয়া। এইবিধ উদ্ভিদৰ বাকলিত প্ৰচুৰ পৰিমাণে কেলছিয়াম পোৱা যায়। মাৰ্চ মাহৰ পৰা জুন মাহৰ ভিতৰত এই গছৰ ফুল ফুলা আৰম্ভ হয়। ই এবিধ ঔষধি গুণযুক্ত গছ। অৰ্জুন গছৰ শুকান ছাল গুড়ি কৰি বাসক (বাহকা) পাতৰ ৰসৰ লগত তিয়াই ৰ'দত শুকুৱাই চেনি বা মৌৰ লগত দৈনিক ব্যৱহাৰ কৰিলে যক্ষ্মা ৰোগত সুফল পোৱা যায়। হাড় ভগা আৰু হাতৰ জোৰা লৰিলে অৰ্জুন গছৰ কেঁচা ছাল খুন্দি গাখীৰৰ লগত তাৰ ৰস সিজাই খাব লাগে আৰু অৰ্জুন গছৰ ছাল থেতেলিয়াই বান্ধি থ'ব লাগে। অৰ্জুন গছৰ ছালৰ ৰসে হৃদৰোগ নিৰাময় কৰে আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। ❖

# ভাস্ক’ ডা গামাৰ ভাৰত সম্ভেদ

■ পৰিণীতা চেতিয়া



ভাৰত বা ভাৰতীয় প্ৰজাতন্ত্ৰ (Republic of India) দক্ষিণ এছিয়াত অৱস্থিত এখন সাৰ্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ। ভৌগোলিক আয়তনৰ ফালৰ পৰা ভাৰত পৃথিৱীৰ ভিতৰত সপ্তম বৃহত্তম ৰাষ্ট্ৰ, জনসংখ্যাৰ ফালৰ পৰা প্ৰথম স্থানত। সিন্ধু সভ্যতাৰ বসতি অঞ্চল তথা ঐতিহাসিক বাণিজ্য পথ আৰু একাধিক বিশাল সাম্ৰাজ্যৰ পটভূমি ভাৰতখন ইয়াৰ সুদীৰ্ঘ অৰ্থনৈতিক আৰু সাংস্কৃতিক ঐতিহ্যৰ বাবে সুপৰিচিত।

এসময়ত ভাৰত আন দেশতকৈ বহুত ধনী আছিল। ভাৰতত ইমান ধন-সম্পদ আৰু ব্যাৱসায়িক সুযোগ আছিল যে বহুতো ডাঙৰ দেশৰ মানুহে স্বয়ংক্ৰিয়ভাৱে ভাৰতৰ ফালে আগ বাঢ়িছিল। কিন্তু এইটো প্ৰশ্ন হয় যে আধুনিক কালত কোন বাহিৰৰ মানুহে প্ৰথমে ভাৰতত ভৰি দিছিল, এই সন্দৰ্ভত বুৰঞ্জীয়ে কৈছে যে ভাস্ক’ ডা গামাই প্ৰথমে ভাৰতত পদাৰ্পণ কৰিছিল। তেওঁ সাগৰীয় পথেৰে ভাৰতলৈ আহিছিল। ভাস্ক’ ডা গামাক ইউৰোপৰ পৰা এছিয়ালৈ সাগৰীয় পথ বিচাৰি উলিওৱাৰ কৃতিত্বও দিয়া হয়। সেয়ে ভাস্ক’ ডা গামাক ভাৰত সম্ভেদকাৰী বুলি জনা যায়। ভাস্ক’ ডা গামাই মুঠ তিনিবাৰ ভাৰত ভ্ৰমণ কৰিছিল।

ভাস্ক’ ডা গামা আছিল পৃথিৱীবিখ্যাত পৰ্তুগীজ ভ্ৰমণকাৰী। তেওঁ সম্পূৰ্ণ সাগৰীয় পথেৰে ভাৰতত উপস্থিত হোৱা প্ৰথমগৰাকী ইউৰোপীয় ব্যক্তি আছিল। তেওঁৰ ভ্ৰমণে এছিয়া আৰু ইউৰোপৰ লগতে আটলাণ্টিক মহাসাগৰ আৰু ভাৰত মহাসাগৰৰ মাজত সংযোগ সূত্ৰ স্থাপন কৰিছিল।

ভাস্ক’ ডা গামাই প্ৰথমটো ভাৰতমুখী অভিযানতে (১৪৯৭-১৪৯৯) এই সংযোগ সম্পূৰ্ণ কৰিছিল। ভাস্ক’ ডা গামাৰ এই আৱিষ্কাৰ সাম্ৰাজ্যবাদৰ ইতিহাসত অতি তাৎপৰ্য্যপূৰ্ণ আছিল। কাৰণ এই ভ্ৰমণৰ দ্বাৰাই এছিয়া মহাদেশত দীৰ্ঘকালীন উপনিৱেশ স্থাপনৰ পথ মুকলি হৈছিল। তেওঁৰ দ্বাৰা আৱিষ্কৃত পথটোৰে বিবাদপূৰ্ণ ভূমধ্য সাগৰ আৰু বিপদজনক আৰবীয় উপদ্বীপ পাৰ হোৱাৰ পথ সুগম কৰিছিল, কাৰণ সেই গোটেই পথটো আছিল সাগৰীয়। তেওঁ অহা-যোৱা মিলাই অতিক্ৰম কৰা পথৰ দৈৰ্ঘ্য সেই সময়ৰ সৰ্বাধিক ভ্ৰমণ দৈৰ্ঘ্য আছিল। এই দৈৰ্ঘ্য বিষুৱৰেখাৰ দৈৰ্ঘ্যতকৈয়ো বেছি আছিল।

১৪৯৮ চনৰ ২০ মে’ত ভাস্ক’ ডা গামাই ভাৰতৰ কালিকট (কেৰালাৰ অন্তৰ্গত, বৰ্তমান কোজিকোডে) বন্দৰত উপস্থিত হ’বলৈ সক্ষম হৈছিল। ইয়াৰ পাছতো তেওঁ আৰু দুটা ভাৰত অভিমুখী নৌযাত্ৰাৰ নেতৃত্ব দিছিল। ১৫১৯ চনত তেওঁক ভাইচৰয় উপাধি দি ভাৰতত থকা পৰ্তুগীজ সাম্ৰাজ্যৰ গৱৰ্নৰ হিচাপে নিযুক্তি দিয়া হৈছিল। তেওঁৰ প্ৰথম ভাৰত ভ্ৰমণটো বিশ্ব বুৰঞ্জীত মাইলৰ খুঁটি বুলি বিবেচনা কৰা হয়। ভাস্ক’ ডা গামাই কালিকটৰ ওচৰৰ কাপ্পাডুত উপস্থিত হৈছিল। কালিকটৰ ৰজা জামৰিণ সেই সময়ত দ্বিতীয়খন ৰাজধানী পোন্নানিত (Ponnani) আছিল যদিও বিদেশী নৌ বহৰ অহা খবৰ শুনি ততাতৈয়াকৈ কালিকটলৈ ঘূৰি আহিছিল। জাহাজৰ নাৱিকসকলক পৰম্পৰাগতভাৱে অভ্যৰ্থনা জনোৱা হৈছিল। ভাস্ক’ ডা গামাই সম্ৰাটক উজ্জ্বল ৰঙা কাপোৰ, বাচন, টুপী, চেনি, তেল, মৌ আদি উপহাৰ

স্বৰূপে আগ বঢ়াইছিল। কিন্তু জামৰিণৰ বিষয়াবৰ্গই উপহাৰৰ তালিকাত সোণ বা ৰূপ নেদেখি আচৰিত হৈছিল। আন মুছলমান সদাগৰসকলে ভাস্ক' ডা গামাক ৰাজকীয় প্ৰতিনিধিৰ পৰিবৰ্তে এজন জলদস্যুহে বুলি ভাবিছিল। গামাই ভাৰতত ব্যৱসায় কৰিবলৈ অনুমতি বিচাৰিলে যদিও সম্ৰাটৰ ফালৰ পৰা জনোৱা হ'ল যে ভাৰতত ব্যৱসায় কৰিবলৈ হ'লে আন ব্যৱসায়ীৰ দৰে কৰ হিচাপে সোণ দিব লাগিব। এই কথাত ক্ষুণ্ণ হৈ গামাই কেইবাজনো নায়াৰ আৰু যোল্লজন মাছমৰীয়াক জোৰ-জবৰদস্তি কৰি ধৰি লৈ গ'ল। এই অভিযানত তেওঁ অৰ্দ্ধসংখ্যক মানুহ আৰু এখন জাহাজ হেৰুৱায়। তদুপৰি তেওঁ ভাৰতৰ ৰজাৰ সৈতে কোনো ধৰণৰ বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিব নোৱাৰিলে। কিন্তু গুৰুত্বপূৰ্ণ কথা এইটোৱে যে তেওঁ ভাৰতলৈ এটা পোনপটীয়া সাগৰীয় পথ আৱিষ্কাৰ কৰাত সফল হ'ল।

১৫০০ চনত হোৱা দ্বিতীয় পৰ্তুগীজ-ভাৰত অভিযানৰ নেতৃত্ব দিছিল পেড্ৰ' আলভাৰেছ কেব্ৰেল (Pedro Alvares Cabrel) নামৰ এগৰাকী পৰ্তুগীজ ভ্ৰমণকাৰীয়ে। অভিযানৰ উদ্দেশ্য আছিল জামৰিণৰ সৈতে চুক্তি কৰি চহৰখনত এটা উদ্যোগ স্থাপন কৰা। কিন্তু বিভিন্ন কাৰণত এই অভিযান সফল নহ'ল। ১৫০২ চনত ভাস্ক' ডা গামাই পুনৰ পৰ্তুগীজ-ভাৰত অভিযানত যোগদান কৰিলে। এইটো আছিল তেওঁৰ দ্বিতীয় ভাৰত অভিযান। অভিযানৰ উদ্দেশ্য আছিল কালিকটৰ ৰজা জামৰিণক এসেকা দিয়া আৰু পৰ্তুগালৰ ওচৰত আত্মসমৰ্পণ কৰোৱা। জামৰিণৰ লগত যুদ্ধত গামা জিকিল যদিও তেওঁ ভাৰতত উদ্যোগ স্থাপন আৰু ব্যৱসায় চলাই নিয়াটোহে বেছি গুৰুত্বপূৰ্ণ বুলি ভাবি চুবুৰীয়া কোচিন আৰু কন্নানৰ লগত সন্ধি কৰি তাতে উদ্যোগ স্থাপন কৰিলে। ১৫০৩ চনৰ ছেপ্টেম্বৰ মাহত তেওঁ পুনৰ পৰ্তুগালত উপস্থিত হয়।

১৫২৪ চনৰ এপ্ৰিল মাহত পোন্ধৰখন জাহাজৰ এটা নৌবহৰ লৈ ভাস্ক' ডা গামা ভাৰতলৈ যাত্ৰা কৰিলে। এইবাৰ লগত তেওঁৰ দুই পুত্ৰ ইষ্টিভাও ডা গামা আৰু পউল' ডা গামাও ওলাল। এইটোৱে আছিল গামাৰ তৃতীয়টো তথা শেষ ভাৰত অভিযান। তেওঁলোকে ছেপ্টেম্বৰ মাহত নিজৰ লক্ষ্যস্থানত উপনীত হ'ল। অৱশ্যে যাত্ৰাপথত তেওঁলোকে চাৰি বা পাঁচখন জাহাজ হেৰুৱাব লগা হ'ল। ভাৰতত উপস্থিত হৈয়েই গামাই নিজৰ কাম-কাজ আৰম্ভ কৰিলে। ১৫২৪ চনত ৰাজকাৰ্য্যালয়ৰ পৰা গামাক ভাইচৰয় উপাধি দি ভাৰতত পৰ্তুগীজ গৱৰ্নৰ নিযুক্তি দিয়া হ'ল। ভাইচৰয় সন্মান লাভ কৰা তেওঁ আছিল দ্বিতীয়জন পৰ্তুগীজ। কিন্তু ভাৰতত উপস্থিত হোৱাৰ তিনিমাহ পাছতেই খৃষ্টমাছৰ আগদিনা মেলেৰিয়া ৰোগত আক্ৰান্ত হৈ ভাস্ক' ডা গামাৰ মৃত্যু হয়। ❖

## প্ৰখ্যাত অনুষ্ঠান, শিক্ষানুষ্ঠান ইত্যাদি

# ১২০ বছৰীয়া বেংগল নেছাৰেল হিষ্টৰী মিউজিয়াম

■ নিভা ৰাণী ৰায়

ভাৰতত প্ৰকৃতিৰ ইতিহাস বিষয়ক আঠটা সংগ্ৰহালয় বা যাদুঘৰ আছে। ইয়াৰে আটাইতকৈ পুৰণিটো হৈছে কলকাতাত অৱস্থিত 'ওৰিয়েণ্টেল মিউজিয়াম অৱ দ্য এছিয়াটিক ছ'চাইটি অৱ বেংগল'। ১৮১৪ চনত স্থাপিত এই সংগ্ৰহালটোৰ পাছতে দ্বিতীয়টো প্ৰাচীন প্ৰকৃতি ইতিহাস সংগ্ৰহালয় হৈছে দাৰ্জিলিঙৰ পদ্মজা নাইডু হিমালয়ান জুঅ'লজিকেল পাৰ্কৰ চৌহদত থকা বংগ প্ৰকৃতি ইতিহাস সংগ্ৰহালয় (বেংগল নেচাৰেল হিষ্ট্ৰী মিউজিয়াম)। শতিকাপ্ৰাচীন এই সংগ্ৰহালয়টোত সংৰক্ষিত হৈ আছে সহস্ৰাধিক প্ৰাণী আৰু উদ্ভিদৰ প্ৰাকৃতিক নিদৰ্শন তথা জীৱাশ্ম।

১৯০৩ চনত ভাৰতৰ তদানীন্তন গৱৰ্ণৰ-জেনেৰেল

লৰ্ড কাৰ্জনৰ নিৰ্দেশত লয়েড ব'টানিকেল গাৰ্ডেনৰ চৌহদত সৰুকৈ স্থাপন কৰা হৈছিল এটা প্ৰকৃতি ইতিহাস বিষয়ক সংগ্ৰহালয়। ক্ৰমশঃ দৰ্শনাৰ্থী আৰু সংগৃহীত সামগ্ৰীৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰাত ১৯১৫ চনত এই সংগ্ৰহালয়টো বৰ্তমান যি ঠাইত আছে তালৈ স্থানান্তৰিত কৰা হয় আৰু ১৯২৩ চনত আনুষ্ঠানিকভাৱে 'বেংগল নেচাৰেল হিষ্ট্ৰী মিউজিয়াম' হিচাপে নামকৰণ কৰা হয়। সেই বৰ্ষৰ পৰা ১৯৭৬ চনলৈকে সংগ্ৰহালয়টো বেংগল নেছাৰেল হিষ্ট্ৰৰী মিউজিয়াম ছ'চাইটিৰ দ্বাৰা পৰিচালিত হৈছিল। তাৰ পাছত সংগ্ৰহালয়টো পশ্চিমবংগ বন বিভাগলৈ হস্তান্তৰ কৰা হয়। আৰম্ভণিৰ দিনবোৰত চাৰ্লছ এম ইনলিছ নামৰ এজন প্ৰকৃতিবিদে সংগ্ৰহালয়টোৰ তত্ত্বাৱধায়ক হিচাপে কাম কৰিছিল।

বৰ্তমান এই সংগ্ৰহালয়টিত চাৰি শতাধিক চৰাই, (বাহ আৰু কণীৰে সৈতে), ১১০ বিধৰো অধিক প্ৰজাতিৰ প্ৰাণীৰ কণী, ৩৫ বিধ সৰ্প প্ৰজাতি, ৫৭ বিধ মাছকে ধৰি সহস্ৰাধিক প্ৰাণীৰ নমুনা সংৰক্ষিত হৈ আছে। কাচৰ বাকচৰ ভিতৰত সজাই ৰখা এই নমুনাবোৰ প্ৰাকৃতিক। এইবোৰ সংগ্ৰহ কৰি বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰি ৰখা হৈছে। সংগৃহীত প্ৰাণীৰ নমুনাবোৰ বিভিন্ন ঔষধি দ্ৰব্য প্ৰয়োগেৰে সতেজ ৰূপত সংৰক্ষণযোগ্য কৰি ৰখাৰ বাবে সংগ্ৰহালয়টোত এটা বিশেষ চৰ্মসংৰক্ষণবিদৰ গোট আছে।

সংগ্ৰহালয়টোত কে'বাটাও শাখা আছে। 'ক' শাখাত দৰ্শনাৰ্থীয়ে দেখিবলৈ পাব সুন্দৰবন এলেকাৰ পৰিবেশতন্ত্ৰ আৰু উদ্ভিদ বৈচিত্ৰ্যৰ নমুনা। 'খ' শাখাটোত আছে পশ্চিমবংগৰ শুষ্ক অঞ্চলৰ জৈৱ-বৈচিত্ৰ্যৰ প্ৰতিচ্ছবি। 'গ' শাখাটোত ৰাজ্যখনৰ উৰ্বৰা সমতলীয় অঞ্চলৰ উদ্ভিদ আৰু প্ৰাণীৰ নমুনা সংৰক্ষিত কৰি ৰখা হৈছে। 'ঘ' শাখাত আৰ্দ্ৰভূমিসমূহৰ জৈৱ-বৈচিত্ৰ্য আৰু 'ঙ' শাখাত উত্তৰ বংগৰ নামনি পাৰ্বত্য অঞ্চলৰ আৰ্দ্ৰ অৰণ্যসমূহৰ প্ৰাকৃতিক বৈচিত্ৰ্য প্ৰদৰ্শন কৰা হৈছে। চৰাইৰ শাখাটোত ১৫ বিধ বিৰল প্ৰজাতিৰ ফেঁচা, ১৪ বিধ শগুন




আৰু ঈগল, ১২ বিধ ঘৰচিৰিকা, ১৩ বিধ মৌপিয়াকে ধৰি মাছৰোকা, কাঠৰোকা, ধনেশ আদিকে ধৰি ৮২০ বিধ পক্ষী প্ৰজাতিৰ নমুনা সংৰক্ষিত হৈ আছে। সংগ্ৰহালয়টোৰ প্ৰতিটো কক্ষতেই ইমান নিয়াৰিকৈ লিখিত তথ্যসহ উপস্থাপন কৰা হৈছে যে দৰ্শনাৰ্থীসকলে সংৰক্ষিত প্ৰাণীসমূহৰ বিষয়ে প্ৰাথমিক জ্ঞানো লাভ কৰিব পাৰে। সংগ্ৰহালয়টোৰ পখিলা আৰু পোক-পতংগ সজাই ৰখা কক্ষটো অতি আকৰ্ষণীয়। বিভিন্ন প্ৰকাৰৰ মঠ, জিঞা, উঁইচিৰিঙাকে ধৰি পোক-পতংগসমূহ দেখিলে আমাৰ দেশৰ জৈৱ-বৈচিত্ৰ্য কিমান বিচিত্ৰ সেয়া অনুমান কৰিব পৰা যায়। ইয়াত ৬০৮ বিধ ভিন্ন প্ৰজাতিৰ পখিলা আৰু ১১০৪ বিধ বিভিন্ন পতংগ আছে।

বিভিন্ন প্ৰজাতিৰ ম'হ, বাঘ, ভেড়া, সম্বৰ হৰিণ, বাইছন, টাকিন আদিকে ধৰি বহুবিধ জন্তুৰ লাওখোলা, খুৰা, ছাল, শিং, মূৰ আদিও সংৰক্ষণ কৰি ৰখা হৈছে সংগ্ৰহালয়টোত।

সংগ্ৰহালয়টোত এটা সৰু পুথিভঁৰালো আছে। ইয়াত প্ৰকৃতি বিষয়ক বিভিন্ন মূল্যবান গ্ৰন্থৰ লগতে 'দ্য ফ'না অৱ বৃটিছ ইণ্ডিয়া' (The Fauna of British India) শীৰ্ষক শৃংখলটোৰ ১২৫টা খণ্ড আছে। পুথিভঁৰালৰ লগতে এটা অধ্যয়ন কক্ষও আছে। ❖

# Kailash Temple

■ **Pallavi Dutta**

Kailash Temple is located in the Ellora Caves, which is a UNESCO World Heritage Site situated around 30 kilometres away from Aurangabad. It is also known as the Kailashnatha Temple. This is an ancient Hindu temple dedicated to Lord Shiva. It is one of the most remarkable structures in the Ellora Caves and is considered to be one of the largest monolithic structures in the world, i.e., it was carved out of a single rock. No metal or wooden block or any extra rock was added to it. Hence it is considered to be an engineering marvel. The temple was excavated out of a single piece of rock measuring approximately 200 feet long, 100 feet wide, and 100 feet high. It is estimated that around 400,000 tons of rock was removed during the excavation process.



The temple was built in the 8th century AD during the reign of the Rashtrakuta king Krishna I and it took around 200 years to complete. The temple complex consists of several interconnected chambers, courtyards, and halls, all of which are adorned with intricate carvings and sculptures. The carvings on the temple walls are so intricate and detailed that they are often compared to the finest embroidery work. It depicts various scenes from Hindu mythology and history.


The Kailash Temple is considered to be a masterpiece of Indian rock-cut architecture and is a testament to the skill and craftsmanship of ancient Indian artisans. The temple is a popular tourist attraction and is visited by thousands of people every year.

Another fascinating aspect of the Kailash Temple is the use of the "lost wax" technique in its construction. This technique involved creating a wax model of the desired sculpture, covering it in clay, and then pouring molten metal into the clay mould to create the final sculpture. This technique allowed the artisans to create incredibly detailed and intricate sculptures that would have been impossible to achieve using other methods.

In addition to its religious and historical significance, the Kailash Temple is also considered to be an important scientific and astronomical monument. The temple's orientation and placement were carefully calculated to align with the movement of the stars and planets, indicating that ancient Indian astronomers and mathematicians had a deep understanding of the cosmos. ❖

# Great Expectations

■ Bhaktimala Saikia




It is Christmas Eve, and Pip's sister forced him to stir the pudding all the evening. His sister, whom Pip calls Mrs. Joe, thunders about. She threatens Pip and Joe with her cane and with tar-water, which was terrible in taste. Very early the next morning, Pip sneaks down to the pantry, where he steals some brandy and a pork pie for the convict. (He refills the brandy bottle with tar water.) He then sneaks to Joe's workshop from where he steals a file. Quietly, he goes back into the marshes to meet the convict.

Unfortunately, he finds another convict hiding in the marshes. This second convict tries to hit Pip and run away. When Pip finally meets the first convict, he finds him suffering from cold. He is wet, and hungry too. Pip is kind to the man, but the convict becomes violent after hearing about the second convict. It seems as though the news troubles him greatly. As the convict scrapes at his leg irons with the file, Pip returns home quietly.

As he returns home, Pip is engulfed by a sense of guilt for helping the convict. He even expects to find a policeman waiting for him at Joe's house. When Pip slips into the house, he finds no policemen, only Mrs. Joe busy in the kitchen cooking Christmas dinner. Pip eats breakfast along with Joe. The two go to church. Mrs. Joe despite being religious, stays behind.

Uncle Pumblechook and the church clerk, Mr Wopsle , Pip all are sitting at the table for the Christmas dinner. Pip is terrified that his sneaking out of the house to help the convict will be discovered. Pip nearly panics when Pumblechook asks for the brandy and finds the bottle filled with tar-water. His panic increases when, suddenly, many police officers burst into the house with a pair of handcuffs.

Pip is sure that the policemen have come to arrest him, but all they want is for Joe to fix their handcuffs. The policemen tell them that they are searching for two escaped convicts. Pip and Joe agree to help them

After a long search, the two convicts are caught. Pip's convict protects Pip by claiming to have stolen the food and file himself. The convict is taken away to a prison ship. Pip's believes that the convict is away from his life forever.

Joe and Pip return home, and finish their Christmas dinner.Pip continues to feel guilty about the incident as he has not told the whole truth to Joe. ❖

# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৯৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 3 | 6 | 1 | 2 | 8 | 7 | 5 | 9 |
| 9 | 5 | 1 | 7 | 4 | 6 | 2 | 8 | 3 |
| 8 | 7 | 2 | 3 | 5 | 9 | 4 | 1 | 6 |
| 7 | 8 | 5 | 9 | 1 | 4 | 3 | 6 | 2 |
| 2 | 1 | 3 | 6 | 7 | 5 | 8 | 9 | 4 |
| 6 | 9 | 4 | 2 | 8 | 3 | 5 | 7 | 1 |
| 5 | 2 | 8 | 4 | 9 | 1 | 6 | 3 | 7 |
| 1 | 6 | 7 | 5 | 3 | 2 | 9 | 4 | 8 |
| 3 | 4 | 9 | 8 | 6 | 7 | 1 | 2 | 5 |

## চুড'কু ১৯৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | | | 8 | | 9 | |
| | | 3 | | | 1 | | | |
| 2 | | | | | 7 | 6 | | |
| | | | | 2 | | | | |
| | 9 | 4 | | 8 | | 2 | | |
| 7 | 1 | | | 4 | | 9 | | 5 |
| 1 | | | 9 | | | 5 | 3 | |
| 5 | 7 | | | | | 8 | 4 | |
| | | | | | 6 | | 2 | 1 |

### তোমালোকে জানানে?

## মহে কিয় মানুহক কামোৰে?



মানুহ য'লৈকে নাযাওক, মহৰ অত্যাচাৰ কম-বেছি পৰিমাণে সহ্য কৰিবলগীয়া হয়েই। মহ পৃথিৱীৰ সৰ্বত্ৰ বিয়পি আছে। এনে ঠাই খুব কমেই আছে, য'ত মহ একেবাৰে নাই।

মহৰ প্ৰধান খাদ্য হ'ল গছৰ ৰস বা মৌ। মতা মহে সাধাৰণতে মানুহক নাকামোৰে বা তেজ খাদ্য হিচাপে গ্ৰহণ নকৰে। মাইকী মহেহে মানুহক কামুৰি তেজ শোহে। অৱশ্যে সেয়াও এক বিশেষ সময়ত আৰু বিশেষ উদ্দেশ্যত কৰে। মাইকী মহে কেৱল বংশবৃদ্ধি কৰাৰ সময়তহে মানুহৰ তেজ খায়। কণী পৰাৰ সময়ত মহক অধিক পৰিমাণৰ প্ৰ'টিন আৰু ভিটামিনৰ প্ৰয়োজন হয়। মহে তেজৰ পৰা প্ৰ'টিন আৰু ভিটামিন আহৰণ কৰে।

মাইকী মহে এবাৰতে কে'বাশ কণী পাৰে। কোনো কীটনাশকে সেইবোৰ সম্পূৰ্ণভাৱে ধ্বংস কৰিব নোৱাৰে। সেইবাবে মানুহৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টা সত্ত্বেও মহ নিবাৰণ সম্পূৰ্ণৰূপে সম্ভৱ হৈ উঠা নাই। ❖

*উৎস ঃ শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন'।*

# স্মৰণীয় সময়, স্মৰণীয় ঘটনা

## (ভাৰতৰ স্বাধীনতাৰ ৭৫টা বছৰত)

■ অপৰ্ণা দেৱী

*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

**একতাৰ স্তম্ভ** (Statue of Unity)

২০১৮ চনত আমাৰ দেশে কীৰ্তিস্তম্ভ নিৰ্মাণৰ ক্ষেত্ৰত এক বিশেষ সফলতা লাভ কৰিলে। পৃথিৱীৰ সুউচ্চ স্তম্ভটো আমাৰ দেশতে নিৰ্মাণ হ'ল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত থকা স্বাধীনতাৰ স্তম্ভতকৈ (Statue of Liberty)ও দুগুণ অধিক উচ্চতাৰ স্তম্ভ হ'ল ভাৰতবৰ্ষৰ একতাৰ স্তম্ভ। এই স্তম্ভটো চৰ্দাৰ সৰোবৰ বান্ধৰ সমুখত, নৰ্মদা নদীৰ পৃষ্ঠভূমিত নিৰ্মাণ কৰা হৈছে। একতাৰ স্তম্ভটোৰ উচ্চতা ১৮২ মিটাৰ। স্বাধীন ভাৰতৰ প্ৰথম উপ-প্ৰধানমন্ত্ৰী আছিল চৰ্দাৰ বল্লভভাই পেটেল। চৰ্দাৰ বল্লভভাই পেটেলৰ মূৰ্তিকে স্তম্ভৰ ৰূপত প্ৰতিষ্ঠা কৰা হ'ল আৰু সেই স্তম্ভটোক একতাৰ স্তম্ভৰূপে নামকৰণ কৰা হ'ল। ভাৰতৰ ৫৬২ খন দেশীয় ৰাজ্যক একত্ৰিত কৰি এখন ভাৰত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত চৰ্দাৰ বল্লভ ভাই পেটেলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। মাত্ৰ ৪৬ মাহৰ ভিতৰত নিৰ্মাণ কৰি উলিওৱা একতাৰ স্তম্ভ, একতাৰ সৌধে সমগ্ৰ দেশবাসীক গৌৰবান্বিত কৰিছে।

### হাম্পি আৰু ইলোৰা গুহাৰ সফলতাৰ কাহিনী

ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থাই (UNESCO) হাম্পিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰিছিল। ১৯৮৬ চনত বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হাম্পি ক্ষেত্ৰৰ নাম ২০০৬ চনত ৰাষ্ট্ৰসংঘৰ বিপদজনক ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল। দলং, সাঁকো আদি নিৰ্মাণৰ লগতে যান-জঁট তথা পৰ্য্যটকৰ অত্যধিক ভিৰৰ বাবে হাম্পি ক্ষেত্ৰৰ নাম বিপদজনক ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল। হাম্পিক নিৰাপদ স্থানলৈ উন্নীত কৰাবলৈ কৰা চেষ্টাৰ ফলত ৰাষ্ট্ৰসংঘৰ সেই বিপদজনক তালিকাৰ পৰা হাম্পিৰ নাম কৰ্তন হয়।



২০২২ চনত ভাৰতীয় পুৰাতত্ত্ব বিভাগে ইলোৰা গুহাত হাইড্ৰলিক লিফ্টৰ ব্যৱস্থা কৰিলে। পৰ্য্যটকৰ বাবে ই এক সুবিধাজনক স্থানত পৰিণত হ'ল আৰু দেশৰ ভিতৰত লিফ্টৰ সুবিধা থকা একমাত্ৰ গুহাৰ স্বীকৃতি লাভ কৰিলে। মহাৰাষ্ট্ৰত ঔৰাংগাবাদত থকা ইলোৰা গুহা বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ অন্তৰ্ভুক্ত।

### সংগ্ৰহালয় : সংস্কৃতিৰ ধ্বজাবাহক

আমাৰ দেশৰ আটাইতকৈ বৃহৎ সংগ্ৰহালয়টো হৈছে নতুন দিল্লীত অৱস্থিত ৰাষ্ট্ৰীয় সংগ্ৰহালয়। ১৯৪৯ চনত স্থাপিত এই সংগ্ৰহালয়টোকে ধৰি দেশৰ অন্যান্য প্ৰান্তত অৱস্থিত সংগ্ৰহালয়সমূহে আমাৰ কৃষ্টি, সংস্কৃতিৰ ধ্বজাবাহক হিচাপে পৰিগণিত হৈছে।

মানুহৰ আদিম অৱস্থাৰ পৰা বৰ্তমানৰ অৱস্থালৈ বিভিন্ন সময়ৰ কৃষ্টি-সংস্কৃতি, ইতিহাস, বিজ্ঞান আদি নানান বিষয়ৰ সম্যক ধাৰণা এই সংগ্ৰহালয়বোৰৰ পৰা পাব পাৰি। ভাৰতবৰ্ষৰ কেইটামান প্ৰখ্যাত সংগ্ৰহালয় হ'ল— কলিকতাৰ ভাৰতীয় সংগ্ৰহালয়, আহমেদাবাদৰ কালিক' ৰাষ্ট্ৰীয় ৰেল সংগ্ৰহালয় আদি। বৰ্তমান আমাৰ দেশত স্থাপিত বিভিন্ন সংগ্ৰহালয়ত চিত্ৰ, ভাস্কৰ্য্যৰ পৰা আদি কৰি পুতলা, মটৰগাড়ী, আকাশত উৰাব পৰা চিলা, বিজ্ঞানৰ আৰ্হি, জীৱ-জন্তুৰ নমুনা আদি সকলো প্ৰদৰ্শিত কৰাৰ ব্যৱস্থা কৰা হৈছে। ❖

# সমাজৰ প্ৰতি সংগ্ৰহালয়ৰ অৱদান

■ সাক্ষী প্ৰিয়ম্বদা
দশম শ্ৰেণী



বিশ্বৰ প্ৰতিখন ঠাইৰে নিজস্ব এটা ইতিহাস আছে, আছে নিজস্ব বৈশিষ্ট্য, কলা-সংস্কৃতি। আনহাতে প্ৰতিখন ঠাইৰে নিজা আৰ্হি আৰু শৈলীৰ স্থাপত্য-কলাও আছে। ঠাই এখনৰ বিষয়ে ভালদৰে জানিবলৈ হ'লে ঠাইখনৰ ইতিহাস অধ্যয়ন কৰিব লাগিব। ইয়াৰ বাবে কিতাপ-পত্ৰ পঢ়াৰ লগে লগে ইতিহাসপ্ৰসিদ্ধ ঠাইবোৰ স্বচক্ষে চোৱাৰো দৰকাৰ। ইতিহাসৰ এই আটাইবোৰ উপাদান একেলগে পাব পাৰিলে সুবিধা হয়। অনুসন্ধিৎসু মানুহে তাৰ ব্যৱস্থাও কৰিছে। ইতিহাসৰ সকলো উপাদান একেলগে পাব পৰা ঠাইখনেই সংগ্ৰহালয়। সহজ অৰ্থত ক'বলৈ হ'লে, কালৰ গৰাহত জাহ যাবলৈ ধৰা সেইবোৰ বস্তু, যিবোৰ নিৰ্দিষ্ট কোনো এখন ঠাইৰ ইতিহাস অধ্যয়নৰ বাবে প্ৰয়োজনীয়, তেনে বস্তুবোৰ শৃংখলাবদ্ধভাৱে আৰু দায়িত্বসহকাৰে সংৰক্ষণ কৰি ৰখা নিৰ্দিষ্ট ঘৰটোৱেই হৈছে 'সংগ্ৰহালয়'।

**সংগ্ৰহালয় স্থাপনৰ উদ্দেশ্য :** আমি প্ৰায়েই দেখি থকা সংগ্ৰহালয়বোৰৰ স্থাপনৰো নিৰ্দিষ্ট পদ্ধতি আৰু উদ্দেশ্য আছে। সেইকেইটা হ'ল—

**সংগ্ৰহ বা অধিগ্ৰহণ :** সংগ্ৰহালয় এটা কৰ্তৃপক্ষই ঐতিহ্যমণ্ডিত ঠাই, ৰাজহুৱা তথা ব্যক্তিগত স্থানৰ পৰা ইতিহাস বা কলা-সংস্কৃতিৰ লগত জড়িত বস্তু সংগ্ৰহ কৰিব পাৰে। তেনে ধৰণৰ বস্তুক ৰাজহুৱা সম্পত্তি বুলি গণ্য কৰা হয় আৰু সেইবাবে তেনে বস্তুৰ বিনিময়ত কোনো লোকে সংগ্ৰহালয়ৰ পৰা ধন দাবী কৰিব নোৱাৰে।

**পঞ্জীয়ন কৰা বা অভিলেখন :** বিভিন্ন স্থান আৰু সময়ত সংগ্ৰহ বা অধিগ্ৰহণ কৰা প্ৰতিটো বস্তুৰে সংগ্ৰহালয়টোৰ নথি-পত্ৰত পঞ্জীয়ন বা অভিলেখন কৰা হয়। প্ৰায়ে সংগৃহীত বস্তুৰ বিষয়ে লিপিবদ্ধ কৰাৰ উপৰি কোনো কোনো ক্ষেত্ৰত বাণীবদ্ধ কৰাও দেখা যায়। পঞ্জীয়ন কৰোঁতে বস্তুটোৰ বিষয়ে উপলব্ধ তথ্য, বস্তুটোৰ উৎস, সংগ্ৰহ কৰা পদ্ধতি আদি লিপিবদ্ধ কৰা হয়। সংগ্ৰহালয় এটাই সংগ্ৰহ কৰা প্ৰতিটো বস্তুৰ অভিলেখন কৰাটো বাধ্যতামূলক।

**সংৰক্ষণ কৰা :** সংগ্ৰহালয় স্থাপনৰ উদ্দেশ্যবোৰৰ এটা অন্যতম হ'ল 'সংৰক্ষণ'। অধিগ্ৰহণ আৰু অভিলেখনৰ পাছতেই বস্তুটো সংৰক্ষণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। সংগৃহীত বস্তুবোৰ দীঘলীয়া সময়ৰ বাবে ভালে ৰাখিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হয়। সংগৃহীত বস্তুটো বেছি পুৰণা হ'লে তাৰ সংৰক্ষণৰ বাবে পৃথক ব্যৱস্থাও গ্ৰহণ কৰা হয়।

**গৱেষণা :** এটা সংগ্ৰহালয়লৈ অনা প্ৰতিটো বস্তুৰে গৱেষণা কৰাটোও প্ৰয়োজনীয়। বস্তুটোৰ পৰা যিমান পাৰি সিমান জ্ঞান আহৰণ কৰিব লাগে। সংগ্ৰহালয়টোৰ দ্বাৰা প্ৰকাশিত গৱেষণা-পত্ৰ, অন্যান্য বাতৰি কাকত, আলোচনী আদিত নতুন সমলৰ বিষয়ে লেখা-মেলা কৰি জনসাধাৰণক তাৰ বিষয়ে সম্যক জ্ঞান দিবলৈ চেষ্টা কৰা হয়।

**প্ৰদৰ্শন :** সংগ্ৰহালয় এটাই অধিগ্ৰহণ কৰি অভিলেখন কৰা বস্তুবোৰ কেৱল সংৰক্ষণ কৰিলেই আৰু পাছত গৱেষণা কৰিলেই সংগ্ৰহালয় এটাৰ দায়িত্ব শেষ হৈ নাযায়। বস্তুবোৰ জনসাধাৰণে চাবৰ বাবে সুবিধা দিব লাগে।

সুৰক্ষা ব্যৱস্থা হাতত লৈ বস্তুবোৰৰ ক্ষতি নোহোৱাকৈ জনসাধাৰণৰ বাবে মুকলি কৰি ৰাখিব লাগে। স্থানীয় বা বিদেশী সকলো মানুহৰ বাবে সংগ্ৰহালয়ৰ দুৱাৰ সদায় উন্মুক্ত হৈ থাকিব লাগে।

**সমাজৰ প্ৰতি অৱদান :** সৰু-বৰ প্ৰতিটো সংগ্ৰহালয়ে আমাৰ সমাজৰ প্ৰতি কেইটামান দিশত গুৰুত্বপূৰ্ণ অৱদান আগ বঢ়ায়। এইবোৰ অৱদানে আমাৰ সমাজখনৰ ওপৰত যোগাত্মক প্ৰভাৱ পেলায়। সেই অৱদানবোৰ এনে ধৰণৰ—

সংগ্ৰহালয়বোৰে আমাক এখন ঠাইৰ অতীতৰ বিষয়ে শিকায়। অতীতত ঠাইখন কেনেকুৱা আছিল, ঠাইখনৰ কলা-সংস্কৃতিৰ ধৰণ-কৰণৰ বিষয়ে শিকায়। বৰ্তমান আমাৰ সমাজখনৰ ব্যৱস্থাৰ পৰিবৰ্তনৰ প্ৰক্ৰিয়াটো কেনে ধৰণৰ তাৰো সম্যক ধাৰণা দিয়ে। সংগ্ৰহালয়ৰ সমাজলৈ এইটো প্ৰথম অৱদান। সংগ্ৰহালয়ে আমাক আমাৰ অতীতৰ বিষয়ে শিকায় আৰু ভৱিষ্যৎটো সুন্দৰকৈ গঢ় দিবলৈ অনুপ্ৰেৰণা দিয়ে।

দ্বিতীয়তে, সংগ্ৰহালয়ত এখন সমাজৰ ইতিহাসক সাঁচি ৰাখিব পাৰি। মানুহে ইতিহাসৰ সমলবোৰ সংগ্ৰহালয়ত চাব পাৰে। এই কথাই, নিজৰ অতীতে, মানুহৰ মনত জাতীয়তাবোধৰ জন্ম দিয়ে। জাতীয়তাবোধ হ'ল এখন সমাজৰ মূল চালিকাশক্তি। জাতীয়তাবোধ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বিয়পি গৈ সমাজ এখনক একতাৰে ধৰি ৰাখে। সমাজলৈ সংগ্ৰহালয়ে যোগোৱা এইটো যথেষ্ট গুৰুত্বপূৰ্ণ অৱদান।

তৃতীয়তে, স্থানীয় সাংস্কৃতিক সমল, যেনে—গৃহ নিৰ্মাণ কৌশল, খাদ্য, বস্ত্ৰ সামগ্ৰী, বাদ্যযন্ত্ৰ, জীৱন-ধাৰণ প্ৰণালী আদিও সংগ্ৰহালয় এটাৰ মাজেৰে জীয়াই ৰাখিব পাৰি। এই কথাই জাতি এটাৰ প্ৰতিজন সদস্যক নিজৰ সমাজখনৰ প্ৰতি এটা টান অনুভৱ কৰায়। ইয়েই পাছলৈ দেশপ্ৰীতি বা দেশপ্ৰেমৰ জন্ম দিয়ে।

চতুৰ্থতে, শিক্ষাৰ্থীসকলৰ উপৰি বয়স নিৰ্বিশেষে সমাজৰ সকলো স্তৰৰ লোকৰ বাবে সংগ্ৰহালয়ে জ্ঞান অৰ্জনৰ পথ দেখুৱাই দিয়ে। লগতে চৌপাশৰ পৃথিৱীখন ভালদৰে জানিবলৈও সুবিধা দিয়ে। শিশুসকলৰ বাবে সংগ্ৰহালয় সদায়েই আমোদজনক। শিশুসকলে নিজৰ সৃজনশীলতা আৰু কৌতূহলেৰে সাধাৰণ বস্তু এটাকো নতুনকৈ চাবলৈ চেষ্টা কৰে। বয়সত কিছু পৰিপক্ক লোকসকলকো সংগ্ৰহালয়ে নতুনকৈ চিন্তা কৰাৰ সুবিধা দিয়ে। বস্তু এটা চাই, বস্তুটোৰ বিষয়ে শিকি তাৰ বিষয়ে আলোচনা-বিলোচনা, তৰ্ক-বিতৰ্কৰ লগতে নিজৰ মতামত আগ বঢ়োৱাৰো সুবিধা দিয়ে। ইয়ে সমাজ এখনৰ বিষয়ে নতুন কথা জনাত সদায়েই সহায় কৰে।

পঞ্চমতে, সংগ্ৰহালয়ে ৰাষ্ট্ৰ এখনৰ ঐতিহ্য আৰু সংস্কৃতিৰ কাহিনী কয়। ইয়াৰ লগত সমাজ এখনৰ অনুচ্চাৰিত কণ্ঠও ই ধৰি ৰাখে। সংগ্ৰহালয়ৰ মাজতে দেশ এখন জীয়াই থাকে। উদাহৰণ হিচাপে ক'ব পাৰি যে বল্কানৰ গৃহযুদ্ধৰ সময়ত অঞ্চলটোৰ সংগ্ৰহালয়বোৰ ৰক্ষা কৰিবলৈ তাৰ মানুহ সক্ষম হৈছিল। সেইবাবেই গৃহযুদ্ধৰ পাছতেই বল্কানৰ পুনৰ গঠন সম্ভৱ হৈছিল। কিন্তু ইৰাকৰ যুদ্ধত সেয়া সম্ভৱ নহ'ল, ইৰাকৰ সংগ্ৰহালয়বোৰ ধ্বংস হ'ল। সেইবাবেই ইৰাকৰ পুনৰ গঠন সিমান দক্ষতাৰে সম্ভৱ হৈ উঠা নাই। যুদ্ধজৰ্জৰ আফগানিস্তানৰ ক্ষেত্ৰতো একে কথাই ক'ব পাৰি। সংগ্ৰহালয় এটা ধ্বংসৰ লগে লগে এখন সমাজৰ অস্তিত্বলৈও যে সংকট নামি আহে, এয়া তাৰেই প্ৰমাণ।

ষষ্ঠতে, লাহে লাহে আমাৰ সমাজখন ডিজিটাইজ হৈ আহিছে। সকলো বস্তু কম্পিউটাৰতহে সংৰক্ষণ কৰা হৈছে। তাৰ সমান্তৰালকৈ সংগ্ৰহালয়ৰ গুৰুত্বও বাঢ়ি আহিছে। কাৰণ কম্পিউটাৰে বস্তু এটা ত্ৰিমাত্ৰিকভাৱে দৰ্শনৰ সুবিধা নিদিয়ে। বস্তুবোৰ কম্পিউটাৰ স্ক্ৰীণৰ ভিতৰতে আবদ্ধ হৈ থাকে আৰু স্পৰ্শাতীত হৈ পৰে। গতিকে বস্তু এটা নিজ চকুৰে চাই, স্পৰ্শ কৰি তাৰ বিষয়ে অধ্যয়ন কৰাৰ গুৰুত্ব আহি পৰিছে। এই সুবিধাটো দিব পাৰে সংগ্ৰহালয়ে। সমাজৰ প্ৰতি সংগ্ৰহালয়ৰ এইটো এটা গুৰুত্বপূৰ্ণ অৱদান।


এক কথাত ক'বলৈ গ'লে সংগ্ৰহালয় জাতি এটাৰ অতীত আৰু বৰ্তমানৰ দাপোণ স্বৰূপ। ❖

# প্ৰহেলিকা

■ ঋতুমল্লিকা গোস্বামী
নৱম শ্ৰেণী

৩১/১২/২০৫৩
বুধবাৰ

"মেট্ৰ' ৰেলখন আজিও অইনদিনাৰ দৰে আহি উপস্থিত হৈছে। আৰু মই তাত ৫ মিনিট পাছত গৈ কোনোমতে উঠিছোঁ। কিমান আৰু সদায় একেটা কামকে কৰিম, সদায় মোৰ পলম হয় আৰু সহকৰ্মী গৰিমাৰ বিদ্ৰূপ ভৰা চাৱনিৰ আগত লাজ পাব লগা হয়। আমনি লাগিছে মোৰ বৰ।"



ডায়েৰীখন এইবুলি লিখি সামৰি থ'লোঁ। আজি একো কৰিবলৈ মন যোৱা নাই। মই সঁচাই ভাৰাক্ৰান্ত হৈ পৰিছোঁ। কাইলৈ নৱবৰ্ষ, কিন্তু কাৰো মুখত একো আনন্দ নাই, উৎসুকতা নাই। মোৰ দহ বছৰমানলৈ মা-দেউতাক দেখিছিলোঁ, প্ৰতি বছৰে নৱবৰ্ষৰ দিনা সকলো আত্মীয়কে ফ'নযোগে খবৰ লয়, নৱৱৰ্ষৰ শুভেচ্ছা দিয়ে। আগদিনা অৰ্থাৎ আজিৰ দিনটোত বিৰাট আয়োজনেৰে ভোজ-ভাত খাইছিলোঁ। সময় সলনি হ'ল। মানুহো সলনি হ'ল। এতিয়া এই আগৰ ৰীতি-নীতিবোৰ নোহোৱা হ'ল। চাৰিওফালে কেৱল কাম, কাম আৰু কাম। অৱশ্যে, নৱবৰ্ষৰ দৰে অসমত বিহুও আগৰ দৰে পাতে নে বাৰু, মই বিহুৰ সময়ত অসমলৈ যাব নোৱাৰোঁ; ছুটী নাপাওঁ। মাক ফ'ন কৰোঁ যদিও আজিলৈ কেতিয়াও সোধা নাই হ'লে পাতে নে নাপাতে...

উৱা, ২ বাজিল। এইবোৰ ভাবোঁতেই কেনেকৈনো সময়খিনি পাৰ হ'ল গমেই নাপালোঁ। ৰাতিও ভালেখিনি হৈছে। কিন্তু মোৰ দেখোন টোপনিয়েই অহা নাই। আজি মোক ভাগৰে আমনি কৰাহি নাই। তথাপি "কাইলৈ অফিচ আছে, দেৰি হ'ব" কথাষাৰ ভাবি কষ্ট কৰি হ'লেও শুবলৈ যত্ন কৰিলোঁ।

ট্ৰিং ট্ৰিং, ৬ বাজিল, উঠি বহিলোঁ। ৰ'দটো বৰ চোকা হৈ ওলাইছে। মুম্বাই মহানগৰীৰ ৩০ মহলীয়া অট্টালিকাৰ দুটা বেডৰুমৰ এটা সৰু ঘৰৰ বাসিন্দা মই। কিয় জানো কালিৰে পৰা অদ্ভুত কথাবোৰ মনত পৰি আছে ! চিন্তাৰ সাগৰত বুৰ গৈ থকা মইজনীয়ে চিন্তাৰ মোখনি মাৰি বাথৰুমলৈ গ'লোঁ গা ধুবলৈ। ভাত-পানী ৰান্ধি খাই আজি ৬:৪৫ বজাতে মই সাজু। বাহ ! বঢ়িয়া, আজি আৰু পলম নহয়। খোজ কাঢ়ি আহি মেট্ৰ'ত উঠিলোঁ। কাষতে গৰিমা বহিলহি। তাই আজি মোক মতা নাই। ময়েই নৱবৰ্ষৰ শুভেচ্ছা দিলোঁ। ম'বাইলটো চাই চায়েই তাই সামান্য হাঁহিলে মাথোঁ। মোৰ চিলমিলকৈ টোপনি আহিল। হঠাৎ ৰেলৰ ভিতৰখন আন্ধাৰে ঘেৰি ধৰিলে। মানে কাৰেণ্ট গ'ল। মই সেই কথাত বিশেষ গুৰুত্ব নিদি শুবলৈ ধৰিলোঁ। দৰাচলতে ৰাতিপুৱা সোনকালে সাৰ পালোঁ আৰু ৰাতি টোপনিও ভাল হোৱা নাছিল।

এটা ধুনীয়া টোপনিৰ অন্তত সাৰ পালোঁ। কাষত হাতেৰে খেপিয়াই চালোঁ। গৰিমা নাই দেখোন। উঠি বহিলোঁ। এইবাৰ মোৰ মূৰৰ ওপৰত সৰগখন ভাগি

পৰিল, গৰম লাগি আহিবলৈ ধৰিলে, মূৰটো ঘূৰোৱা যেন লাগিল। মই এয়া ক'ত, কি হ'ল বাৰু? ইয়ালৈ মোৰ আগতে অহা যেন লাগিল। ৰেল ষ্টেছন, কিন্তু আধুনিক নহয়। সৰুতে দুই-এবাৰ ৰেলেৰে ফুৰিবলৈ গৈছিলোঁ। তেনেকুৱাই ষ্টেছনটো। মই কেনেকৈ ইয়ালৈ আহিলোঁ? মই এতিয়া ঘূৰি যাম কেনেকৈ? হে ভগৱান! কি হ'ব এতিয়া? এনেদৰে ভাবি ভাবি ৰাস্তা পালোঁগৈ। চাৰিওফালে দেখোন দোকানৰ নাম, ছাইনবৰ্ডৰ আখৰবোৰ অসমীয়া। মনলৈ অলপ সাহ আহিল। অসম আহি পালোঁ যেতিয়া কোনোবা নহয় কোনোবা আত্মীয় নিশ্চয় ওলাব। এখন দোকানৰ নামটোৰ তলত লিখা আছিল 'মালিগাঁও' বুলি। মই মানে গুৱাহাটীতে আছোঁ। ডাঙৰ কথাটো হ'ল, মই দিন বাৰ চন সকলো পাহৰি পেলালোঁ। এয়া কোনটো চন? কাষতে এজনী কলেজীয়া ছোৱালী থিয় হৈ আছিল। তাইকে সুধিলোঁ। ছোৱালীজনী বৰ আচৰিত হ'ল। নহ'বনো কিয়? তথাপি সৰুকৈ ক'লে ২০২৩। ছেগ বুজি সুধিলোঁ "কিমান তাৰিখ," তাই ১২ এপ্ৰিল বুলি কৈ আঁতৰি গ'ল। ১২ এপ্ৰিল। আজিচোন মোৰ জন্মদিন। মোৰতো জন্ম ২০২৩ চনতেই। তাৰ মানে মই নিশ্চয় ৰেলৰে হাস্পতালৰ বিছনাত কান্দি আছোঁ। ভাবি বৰ হাঁহি উঠিল। কিন্তু নিজকে চোৱাৰ দুৰ্বাৰ হেঁপাহ জন্মিল। ততাতৈয়াকৈ হাস্পতালৰ ভিতৰত সোমাই মা-দেউতাৰ নাম কৈ কেবিনটো বিচাৰিলোঁ। দৰ্জাখন খুলিবলৈ হেণ্ডেলত হাত থওঁতেই মনত পৰিল, মই বাৰু নিজকে মা-দেউতাক কি বুলি পৰিচয় দিম? তেওঁলোকেতো মোক চিনি নাপাব। তেনেতে এটা বুদ্ধি খেলালে, মই বেলেগ এটা কেবিন বিচাৰি আছিলোঁ আৰু ভুলতে ইয়াত সোমালোঁহি বুলি ক'ম। কথামতেই কাম। দৰ্জাখন খুলি ভিতৰলৈ ভুমুকিয়ালোঁ। হয়, মই বিছনাতেই, কিন্তু শুই আছোঁ। খন্তেক ৰৈ দিলোঁ। মনটো হঠাৎ ভাল লাগি গ'ল। মই ইমান মৰমলগা। তাতোকৈ ডাঙৰ কথা মা-দেউতাক দেখি আচৰিত হৈ গ'লোঁ। দুয়ো সম্পূৰ্ণ ডেকা, কিন্তু দেখিবলৈ একেই আছে। তাৰ পাছত মনত পৰিল মোৰ বুদ্ধিটোৰ কথা। অৱশ্যে অলপ লাজো পালোঁ। ক্ষমা খুজি ওলাই আহিলোঁ। এনে লাগিল যেন মই বিশ্বজয়হে কৰিলোঁ। ইমানদিনে ফটো'ত দেখি অহা মোৰ কেঁচুৱাৰ ৰূপটো এনেদৰে সঁচাকৈ দেখা পাই বৰ ৰোমাঞ্চিত হৈ পৰিলোঁ। হাস্পতালৰ পৰা ওলাই পুনৰ ষ্টেছন পালোঁহি। তাৰেই ঘড়ীটোলৈ চাই দেখোঁ দুপৰীয়া ৩ বাজিল। এতিয়াহে মোৰ চিন্তাই আকৌ উক দিলে। মই বৰ অসহায় হৈ পৰিলোঁ। ভোক লাগিল কিন্তু মোৰ হাতত পইছা নাই। ইফালে ভোকে-পিয়াহে, ভাগৰে মোক আগুৰি ধৰিছে। ষ্টেছনৰ চকী এখনতে বহিলোঁহি। মূৰটো পেলাই একো কাম নথকাত টোপনি যাবলৈয়ে যত্ন কৰিলোঁ। অন্ততঃ ভোক, পিয়াহখিনি পাহৰি থাকিম।

টিং টিং, সাৰ পালোঁ। এইবাৰ মোৰ মূৰত বিনামেঘে বজ্ৰপাত পৰিল। মইচোন আকৌ মুম্বাইৰ মেট্ৰ' ৰেলত। মই কি সপোন দেখি আছিলোঁ? কাষত গৰিমা নাই; কোনোবা বেলেগ। হয়তো তাই নামি মোলৈ ৰৈ আছে। কিন্তু কাষৰ মহিলাগৰাকী দেখাত অলপ অদ্ভুত। কিবা চাগে' বেমাৰ আছে। মই আৰু সময় নষ্ট নকৰি নামি অফিচলৈ বুলি ৰাওনা হ'লোঁ। গতানুগতিক কাম আৰম্ভ হ'ল। তেনেতে গৰিমা আহি তাইৰ কেবিনত বহিল। মোৰ তাইক দেখি খং উঠিল। তাই মোক ৰেলত এৰি থৈ আহিল আৰু এতিয়া...

"অ' অত্ৰেয়ী আজি মেট্ৰ'ত নাহিলা?"

"মই ক'ত নাহিলোঁ, মই দেখোন তোমাৰ কাষতে বহি আছিলোঁ।"

"কি, মোৰ কাষত? এয়া কেনেকৈ সম্ভৱ?"

আমাৰ কথোপকথনত নিৰ্মাণেও আহি যোগ দিলে। সি মোক এটা ফাইল দেখুৱাবলৈ আহিছিল। যাওঁতে মোৰ টেবুলত ৰেলৰ টিকটটো দেখি সি ৰ'ল আৰু মোক আচৰিত হৈ ক'লে—

"এই টিকটটো ক'ত পালা?"

"হাৰে এইখন ৰেলতেইতো মই আহিছিলোঁ।"

"কিন্তু এয়া সম্ভৱ কেনেকৈ? এইখনেই সেইখন মেট্ৰ' যিখন ২০২৩ চনৰ ১২ এপ্ৰিলত মুম্বাইৰ পৰা নাচিকলৈ গৈ থকা অৱস্থাত নিৰুদ্দেশ হৈছিল আৰু বৰ্তমানলৈও তাৰ বিষয়ে একো সম্ভেদ পোৱা নাই।"


মই স্তব্ধ হৈ গ'লোঁ, এয়া সপোন নে দিঠক... ❖

# পঢ়ুৱৈৰ টোকা

## কিতাপৰ নাম : অকণিৰ আইন আদালত

**লেখকৰ নাম : প্ৰসেনজিৎ গোস্বামী** **প্ৰকাশক : অসম শিশু সাহিত্য ন্যাস**
**প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ২০১০ চন** **মূল্য : ৪৬.০০ টকা**

এই কিতাপখনত আইনৰ বহু জটিল কথা আমি বুজিব পৰাকৈ লেখকে লিখি উলিয়াইছে। এই কিতাপখনত আইনৰ কামসমূহ তথা আইনৰ বিষয়ে চুটি চুটিকৈ লিখা আছে।




এই কিতাপখনৰ প্ৰথম দুটি পাঠত আইন কেনেকৈ প্ৰণয়ন কৰা হয় তথা আমাৰ দৈনন্দিন জীৱনত আইনৰ প্ৰয়োজনীয়তা আৰু ব্যৱহাৰৰ বিষয়ে থূলমূলকৈ উল্লেখ কৰা আছে। ইয়াৰে প্ৰথম পাঠটোত আইন এখন প্ৰবৰ্তন হ'বলৈ কিমানকেইটা স্তৰৰ মাজেৰে পাৰ হৈ আহিব লগা হয়, সেই বিষয়ে লিখা আছে। আইন এখন প্ৰবৰ্তন হ'বলৈ ভাৰতীয় সংসদৰ সদন দুখনত বিভিন্ন স্তৰত আইনখন গ্ৰহণ কৰা হ'ব নে নহ'ব সেইবোৰ বিতংভাৱে আলোচনা কৰা হয় আৰু অৱশেষত ৰাষ্ট্ৰপতিৰ অনুমতি সাপেক্ষে সেই আইন প্ৰবৰ্তন কৰা হয়। ইয়াৰ পাছৰ পাঠটোত আমি যে দৈনন্দিন জীৱনত কৰা কামবোৰৰ মাজতো এখন এখন আইন সোমাই থাকে সেই কথা উল্লেখ কৰা আছে।

ইয়াৰ পাছৰ চাৰি নম্বৰ অধ্যায়টোৰ পৰা মই 'দেৱানী গোচৰ' মানেনো কি সেই বিষয়ে গম পালোঁ। 'দেৱানী গোচৰ' মানে হ'ল মাটি-বাৰীৰ সংক্ৰান্তীয় গোচৰ। ইয়াত উল্লেখ কৰিছে যে আদালতত সকলো মানুহকে সমান মৰ্য্যাদা দিয়া হয়। কাকো অকাৰণত জেলত ভৰাই নথয়।

ইয়াৰ পাছত মই ভাল পোৱা এটা অধ্যায় হৈছে 'শিশু অধিকাৰৰ ৰহঘৰা'। এই পাঠটিত বিশেষকৈ শিশুৰ অধিকাৰসমূহৰ বিষয়ে আলোচনা কৰা আছে। তদুপৰি এই পাঠটিত আমাৰ মৌলিক প্ৰয়োজনৰ বিষয়ে এবাৰ আকৌ জনাই দিছে। সেইকেইটা হ'ল—সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, সাংস্কৃতিক অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ আৰু সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ।

ইয়াৰ পাছৰ পাঠটি হৈছে 'শিশু শ্ৰমিকৰ পম খেদি'। এই অধ্যায়টিত কোৱা হৈছে যে শিশুবোৰক বিভিন্ন কাৰখানা, ফেক্টৰী আদিত কাম কৰাব নোৱাৰিব। কিন্তু বহুতো দুখীয়া ঘৰৰ শিশুৱে পেট পূৰাবৰ বাবে এনেবোৰ কাম কৰিবলগীয়া হয়। ফলত বহুতো শিশুৰ এনেবোৰ কাম কৰি থাকোঁতে মৃত্যু হয়। চৰকাৰে নিয়ম বান্ধি দিয়াৰ পাছতো মানুহৰ অসচেতনতাৰ বাবেহে এনেবোৰ ঘটনা ঘটিছে।

এই কিতাপখন পঢ়ি মই নিজৰ অধিকাৰ, কৰ্তব্যৰ বিষয়ে গম পালোঁ। তদুপৰি আমাৰ দেশৰ সংবিধানে আমাক কেনেকৈ সুৰক্ষা দিয়ে সেই বিষয়েও জানিব পাৰিলোঁ। ❖

**■ জ্যোতিষ্মান ডেকা**
সপ্তম শ্ৰেণী

# নৈ

■ ৰক্তিম ডেকা
সপ্তম শ্ৰেণী

কোনো উৎসত সৃষ্টি হৈ
নিৰবধি বৈ যোৱা এখনি নৈ,
দুয়োপাৰৰ কতজনৰ
হা-হুমুনিয়াহ লৈ যোৱা বৈ।
দুয়োপাৰৰ জীৱন গঢ়িছা
অভিশাপ লৈছা কেতিয়াবা,
তথাপি বুকুত আছা আপোন হৈ।
জীৱন ধুৱাইছোঁ তোমাতে
শুকুৱাইছোঁ তোমাৰে পাৰতে।
একাঁ-বেঁকা গতিৰে আবৰি ৰাখিছোঁ
জীৱনৰ সকলো পৰত।
সুখতো আপোন তুমি,
দুখতো আপোন
ভঙাকে গঢ়িছা, গঢ়াকে ভাঙিছা,
দুয়োপাৰৰ কত যে কিমান সপোন। ❖

# গুৱাহাটী

■ সাগৰিকা কলিতা
ষষ্ঠ শ্ৰেণী

গুৱাহাটী পূবে-পশ্চিমে, উত্তৰে-দক্ষিণে
পাহাৰেৰে ভৰা।
ব্ৰহ্মপুত্ৰৰ পাৰত এখন
ধুনীয়া বসুন্ধৰা।
ইয়াতেই আছে ভাৰত বিখ্যাত
মা কামাখ্যা।
বিশ্ববিদ্যালয়, স্কুল-কলেজ
মানুহৰ কৰ্ম সংস্থান আৰু আকাংক্ষা
মনোৰম বশিষ্ঠ আশ্ৰম, সন্ধ্যা, ললিতা আৰু কান্তা
সংগ্ৰহালয়,
চিৰিয়াখানা, উদ্ভিদউদ্যান আৰু
বিজ্ঞানাগাৰ, কলাক্ষেত্ৰৰ
আছে বৃহৎ আকাৰ।
এইখনেই মোৰ গুৱাহাটী, চিৰ নমস্কাৰ। ❖

# Thoughts

**Jagriti Baruah**
Class IX

You may think
about your obligation
Yes, you may dream too
about your best version
the best version!
Sometimes the thought
somehow slides to
nightmare
whenever you are near
Alas! Dizzy thoughts
but don't give up
this is still there,
favors will come your way
if your thoughts are shining up. ❖

# ঋতু


■ নম্ৰতা কাশ্যপ
ষষ্ঠ শ্ৰেণী

গ্ৰীষ্ম ঋতুত বৰ গৰম
থাকিবৰ উপায় নাই
বৰ্ষা ঋতুত ধাৰাষাৰ বৰষুণে
আমনি লগায়।
শৰৎ ঋতুত শেৱালি ফুলে
চোতাল শুৱনি কৰে,
হেমন্ত ঋতুত পথাৰৰ ধান
ঘৰলৈ চপায় আনে।
শীত ঋতুত বৰ ঠাণ্ডা
জুইৰ সেক লওঁ,
বসন্ত ঋতুত মুগাৰ সাজ পিন্ধি
বিহু মাৰিবলৈ যাওঁ। ❖

নিবন্ধ

# মহাকাশচাৰী জন্তু

■ নৱনীতা কলিতা



অসীম শূন্যতাৰ আন এটি নাম হ'ল মহাকাশ। বিশাল শূন্যতাৰে ভৰা ই এক সীমাহীন অৱস্থিতি। কোটি কোটি নক্ষত্ৰ, জ্যোতিষ্ক, ছায়াপথ, উল্কা, ধূমকেতু ইত্যাদিৰে ভৰপূৰ এই মহাকাশ আমাৰ সকলোৰে বাবে ৰহস্য। সভ্যতাৰ আৰম্ভণিৰে পৰাই মানুহে মহাকাশক কৌতূহলেৰে পৰ্য্যবেক্ষণ কৰি আহিছে। মহাকাশৰ ৰহস্যই মানুহক হাত বাউলি মাতিছে আৰু মানুহেও এই নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰা নাই। পাছে মহাকাশ নিৰাপদ স্থান নহয়। মাধ্যাকৰ্ষণ শক্তিবিহীন মহাকাশত পৃথিৱীত থকাৰ দৰেই স্বাচ্ছন্দ্যভাৱে থাকিব নোৱাৰি। মাধ্যাকৰ্ষণ শক্তি অবিহনে মহাকাশ জীৱৰ অনুকূল হয় নে নহয়? জীৱৰ ওপৰত মহাকাশৰ প্ৰভাৱ কেনে ধৰণৰ? এইবোৰ কথা জানিবলৈ আৰু নতুন নতুন তথ্য আৱিষ্কাৰ কৰাৰ উদ্দেশ্যে বিজ্ঞানীসকলে পোনপ্ৰথমে কিছুসংখ্যক প্ৰাণী মহাকাশযানেৰে মহাকাশলৈ পঠিয়াই পৰীক্ষা কৰি চাইছিল।

**মহাকাশ ভ্ৰমণ কৰা প্ৰাণীবোৰ**

**১। লাইকা** (Laika) : লাইকা আছিল মস্ক'ৰ আলিবাটৰ এজনী সাধাৰণ মাইকী কুকুৰ। এই সাধাৰণ কুকুৰজনীয়ে অসাধাৰণতাৰ পৰিচয় দি ১৯৫৭ চনৰ ৩ নৱেম্বৰত উৎক্ষেপণ কৰা ছোভিয়েট মহাকাশযান 'স্পুটনিক-২'ত উঠি মহাকাশ ভ্ৰমণ কৰিছিল আৰু বিশ্ববিখ্যাত হৈ পৰিছিল। ৰুছ দেশৰ লাইকাই হৈছে পৃথিৱীৰ প্ৰথম মহাকাশচাৰী। ই পৃথিৱীৰ প্ৰথম জীৱ হিচাপে পৃথিৱীৰ কক্ষপথ পৰিভ্ৰমণৰ সৌভাগ্য অৰ্জন কৰিছিল। লাইকাৰ লগতে আন দুটা কুকুৰকো এই মহা অভিযানৰ বাবে প্ৰশিক্ষণ দিয়া হৈছিল যদিও শেষলৈ লাইকাই এই অভিযানৰ বাবে নিৰ্বাচিত হয়।

সফলভাৱে মহাকাশযানখনেৰে লাইকাই পৃথিৱীৰ কক্ষপথ পাইছিল যদিও উৎক্ষেপণৰ কেইঘণ্টামানৰ পাছতেই যানখনৰ তাপ নিয়ন্ত্ৰণ ব্যৱস্থাত বিজুতি হোৱা বাবে অত্যধিক চাপ আৰু তাপমাত্ৰা বৃদ্ধি পায় আৰু শেষত লাইকাই মৃত্যুক সাবটি লয়। লাইকাৰ মহাকাশ ভ্ৰমণে প্ৰমাণিত কৰে যে, পৃথিৱীৰ কক্ষপথত উৎক্ষেপিত মহাকাশযান ওজনহীন হোৱা সত্ত্বেও যাত্ৰীৰ পক্ষে বাচি থকা সম্ভৱ। এই অভিযানৰ পাছৰ পৰাই মনুষ্যবাহী মহাকাশযানৰ পৰিকল্পনা কৰা হয়। ২০০৮ চনৰ ১১ এপ্ৰিলত ৰুছ চৰকাৰে লাইকাৰ সন্মানৰ অৰ্থে এক স্মৃতিসৌধ স্থাপন কৰে। মস্ক'ৰ এক সামৰিক গৱেষণা প্ৰতিষ্ঠানৰ ওচৰত এই স্মৃতিসৌধ অৱস্থিত। ৰকেটৰ ওপৰত এটি কুকুৰ বৈ থকা আৰ্হিত এই সৌধ নিৰ্মাণ কৰা হৈছিল।

**২। গৰড'** (Gordo) : ১৯৫৮ চনত গৰড' নামৰ বান্দৰটোক নাছাৰ মহাকাশ অভিযানৰ অৰ্থে নিৰ্বাচন কৰা হৈছিল। গৰড' মহাকাশলৈ যোৱা বিশ্বৰ প্ৰথম বান্দৰ। কেপ কেনেভেৰেলৰ পৰা AM-13 মিছনৰ অন্তৰ্গত U.S. PGM-19 নামৰ ৰকেট যানখনেৰে ১৯৫৮ চনৰ ১৩ ডিচেম্বৰ তাৰিখে গৰড'ক মহাকাশলৈ পঠিওৱা হৈছিল।

**৩। এবেল আৰু মিছ বেকাৰ** (Able and Miss Baker) : নাছাই ১৯৫৯ চনত গৰড'ৰ পাছতেই এবেল

নামৰ এটা মলুৱা বান্দৰ আৰু মিছ বেকাৰ নামৰ এজনী মাইকী বান্দৰ মহাকাশলৈ পঠিয়াইছিল। দুয়োটা বান্দৰে মহাকাশলৈ যাত্রা কৰে আৰু ১৬,০০০ কিমি. প্রতি ঘণ্টাৰ যাত্রাতো সুস্থ শৰীৰে বিচৰণ কৰে। মহাকাশৰ পৰা সুস্থভাৱে পৃথিৱীলৈ উভতি আহি এই দুটা বান্দৰেই প্রথম বিশ্ব অভিলেখ গঢ়ি তোলে। ভূপৃষ্ঠলৈ উভতি অহাৰ কিছুদিন পাছত এবেল নামৰ বান্দৰটো সংক্রামক ৰোগত আক্রান্ত হৈ মৃত্যুমুখত পৰে।

৪। **বেলকা আৰু ষ্ট্রেলকা** (Belka and Strelka) : ১৯৬০ চনৰ ১৯ আগষ্ট তাৰিখে বেলকা আৰু ষ্ট্রেলকা নামৰ আন দুটা কুকুৰক ছোভিয়েট ইউনিয়নে মহাকাশলৈ পঠিয়াইছিল। কৰাব'ল স্পুটনিক-২ (Korable Sputnik-2) নামৰ যানখনত বেলকা আৰু ষ্ট্রেলকাই সম্পূর্ণ এটা দিন অতিবাহিত কৰিছিল। এই দুটা কুকুৰৰ লগতে যানখনত এটা শহাপহু, ৪২টা নিগনি, দুটা এন্দুৰ, পতংগ আৰু কিছু উদ্ভিদ আৰু মাখিও আছিল। অতি সুখৰ কথা যে আটাইবোৰ প্রাণীয়ে সোঁ-শৰীৰে পুনৰ পৃথিৱীলৈ ঘূৰি আহিবলৈ সক্ষম হৈছিল।

৫। **হেম** (Ham) : হেম নামৰ চিম্পাঞ্জীটোৱে ১৯৬১ চনৰ ৩১ জানুৱাৰী তাৰিখে আমেৰিকাৰ মহাকাশ গৱেষণা কেন্দ্রৰ পৰা যাত্রা আৰম্ভ কৰে। হেম 'Ham the chimp' আৰু 'Ham the astrochimp' বুলি জনাজাত। মাত্র দুই বছৰ বয়সতেই আমেৰিকাৰ বায়ুসেনাই হেমক ক্রয় কৰে আৰু বিভিন্ন প্রশিক্ষণ দিবলৈ আৰম্ভ কৰে। আন চিম্পাঞ্জীবোৰৰ তুলনাত হেম আছিল অত্যন্ত বুধিয়ক আৰু সাহসী। সেয়েহে হেমক মহাকাশলৈ পঠিওৱাৰ সিদ্ধান্ত লোৱা হৈছিল। হেমে যাত্রা কৰা ৰকেটখন ২৫২ কিমি. উচ্চতালৈ গতি কৰে আৰু সম্পূর্ণ ১৬ মিনিট পাছত পৃথিৱীলৈ ঘূৰি আহে। সফলতাৰে পৃথিৱীলৈ ঘূৰি অহাৰ পাছত হেমক এখন চিৰিয়াখানাত ৰখা হয় আৰু তাত সি ১৭ বছৰ কাল অতিবাহিত কৰে।

৬। **ইন'ছ** (Enos) : ১৯৬১ চনতে মহাকাশলৈ যাত্রা কৰা দ্বিতীয়টো চিম্পাঞ্জী হৈছে ইন'ছ নামৰ চিম্পাঞ্জীটো। নাছাই ইন'ছক মহাকাশলৈ পঠিয়াইছিল ১৯৬১ চনৰ নৱেম্বৰ মাহৰ ২৯ তাৰিখে। পৃথিৱীক কক্ষপথেৰে প্রদক্ষিণ কৰা প্রথম চিম্পাঞ্জী আছিল ইন'ছ।

৭। **ফেলিচেট** (Felicett) : মহাকাশলৈ যোৱা একমাত্র মেকুৰীটোৰ নাম ফেলিচেট। ফেলিচেট এটা সাধাৰণ মেকুৰী আছিল। ফ্রান্স চৰকাৰে তেওঁলোকৰ মহাকাশ অভিযানৰ বাবে ফেলিচেটক নির্বাচন কৰে আৰু প্রশিক্ষণ দিয়ে। ফেলিচেটে প্রতিটো পৰীক্ষাতে সুন্দৰ প্রদর্শন কৰিছিল। ফেলিচেটৰ মূৰত কিছুমান যন্ত্র সংযোজন কৰা হৈছিল যিয়ে মেকুৰীটোৰ মগজুৰ প্রতিক্রিয়াসমূহ সুন্দৰকৈ পৰীক্ষা কৰিব পাৰিছিল। ১৯৫৩ চনত ফ্রান্স চৰকাৰে ফেলিচেটক মহাকাশলৈ পঠিয়ায়। ১৫৭ কিমি. উচ্চতালৈ তাইৰ যানখনে যাত্রা কৰে আৰু সুকলমে পৃথিৱীপৃষ্ঠলৈ ঘূৰি আহে।

৮। **ভেটেৰক আৰু আগ'লিয়ক** (Veterak and Ugolyok) : সম্পূর্ণ ২২ দিন পৃথিৱীৰ চাৰিওফালে কক্ষপথত বিচৰণ কৰি ভেটেৰক আৰু আগ'লিয়ক নামৰ কুকুৰ দুটাই বিশ্ব অভিলেখ গঢ়ি তুলিছিল। ব'ৰ্ড কছমছ-১১০ (Board cosmos 110) নামৰ যানখনেৰে ২২ ফেব্রুৱাৰী, ১৯৬৬ চনত ভেটেৰক আৰু আগ'লিয়কে যাত্রা কৰে আৰু সম্পূর্ণ ২২ দিন পাছত অর্থাৎ ১৬ মার্চত পৃথিৱীলৈ ঘূৰি আহে। সুদীর্ঘ সময় মহাকাশযানেৰে যাত্রা কৰা এই কুকুৰ দুটাই হৈছে প্রথম জন্তু।

৯। **দুটা অপৰিচিত কাছ** : মহাকাশলৈ যাত্রা কৰা প্রথম কাছ দুটাই যাত্রা আৰম্ভ কৰিছিল ১৯৬৮ চনৰ ১৪ ছেপ্টেম্বৰত জ'ন্দ ৫ (Zond 5) নামৰ যানখনেৰে। ছোভিয়েট ইউনিয়নে মহকাশৰ বিভিন্ন তথ্য পৰীক্ষাৰ অর্থে এই কাছ দুটাক মহাকাশলৈ প্রেৰণ কৰিছিল।

১০। **অনিতা আৰু আৰবেলা** (Anita and Arabella) : আমেৰিকা যুক্তৰাষ্ট্রৰ মহাকাশ গৱেষণা কেন্দ্রই হেম নামৰ চিম্পাঞ্জীটো মহাকাশলৈ পঠিওৱাৰ দহ বছৰ পাছত অনিতা আৰু আৰবেলা নামৰ দুটা মকৰাক মহাকাশলৈ পঠিয়াইছিল। মাধ্যাকর্ষণ শক্তি অবিহনে জীৱই চলাচল কৰিবলৈ সক্ষম হ'ব নে নহ'ব তাকে

পৰীক্ষা কৰি চাবলৈ নাছাই এই মকৰা দুটাক জালেৰে সৈতে মহাকাশলৈ পঠিয়াইছিল। কিন্তু নাছাক আচৰিত কৰি মকৰা দুটাই মহাকাশত মাধ্যাকৰ্ষণ শক্তি অবিহনেও মকৰাজাল বান্ধিছিল। এই জালবোৰ তুলনামূলকভাৱে পৃথিৱীপৃষ্ঠত সৃষ্টি কৰা জালসমূহতকৈ কিছু পাতল আছিল। কিন্তু দুৰ্ভাগ্যবশতঃ মকৰা দুটা জীৱন্তে পৃথিৱীলৈ ঘূৰি আহিবলৈ সক্ষম নহ'ল।

এই অভিযানসমূহৰ পাছতেই মহাকাশৰ বহু নজনা কথা তথা মহাকাশৰ বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়া বুজি পোৱাত যথেষ্ট সহায় হৈছে। মহকাশৰ বিভিন্ন তথ্য সংগ্ৰহ কৰি মহাকাশৰ অধ্যয়ন কৰাত বিজ্ঞানী তথা মহাকাশচাৰীসকলক বিভিন্ন দিশত সহায় আগ বঢ়াইছে এই জন্তুসমূহে। সেয়েহে মানুহৰ মহাকাশ ভ্ৰমণত এই জীৱসমূহৰ অৱদান অনবদ্য বুলি গণ্য কৰা হয়। ❖

## কলা-সংস্কৃতি

# ‘ছেৰী ফুলা’ উৎসৱ

■ চন্দনা মেধি চৌধুৰী



জাপানত ছেৰী ফুল ফুলা ঘটনাই নতুনত্ব আৰু আশাক প্ৰতিনিধিত্ব কৰে। ছেৰী ফুলৰ ৰংটোৱে শীতৰ সমাপ্তি আৰু বসন্ত কালৰ আগমনক সূচায়। মাৰ্চ মাহৰ শেষৰ পৰা এপ্ৰিল মাহৰ আৰম্ভণিলৈ এই ফুলবোৰ ফুলে। ফুলবিধৰ সৌন্দৰ্য্যই এই সময়ছোৱাত প্ৰকৃতিক উজলাই বিনন্দীয়া কৰি তোলে। ফুলবিধ ফুলি উঠা সময়ছোৱাক তেওঁলোকে সৌভাগ্য আৰু সমৃদ্ধিৰ সময় বুলি ক'ব বিচাৰে। ফুলবিধৰ আলসুৱা, দুৰ্বল আৰু ভংগুৰ প্ৰকৃতিয়ে মানুহক জীৱনৰ সাময়িক আৰু ক্ষন্তেকীয়া সৌন্দৰ্য্যক উপলব্ধি কৰিবলৈ আৰু বৰ্তমানৰ সময়ছোৱাক ভাল পাবলৈ শিকায়।

বগা আৰু গুলপীয়া ৰঙৰ সমাহাৰ ঘটা সুন্দৰ ছেৰী ফুলবোৰে জাপানী সংস্কৃতিত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এই ছেৰী ফুলক লৈয়ে প্ৰতিবছৰে জাপানীসকলে ‘ছেৰী ফুলা উৎসৱ’ (Cherry blossom festival) উদ্‌যাপন কৰে।

৮ম শতিকাৰ হানামী পৰম্পৰা অনুসৰি পোনপ্ৰথমে ‘ছেৰী ফুলা’ উৎসৱ উদ্‌যাপন কৰা হৈছিল। জাপানৰ খেতিয়কসকলে বিশ্বাস কৰে যে বসন্ত কালত ভগৱান স্বৰ্গৰ পৰা নামি আহি এই গছবোৰত বাস কৰে। সেয়েহে এই সময়ছোৱাত তেওঁলোকে গছবোৰৰ তলত ভগৱানলৈ বুলি নৈবেদ্য আগ বঢ়ায়।

জাপানত ‘ছেৰী ফুলা’ উৎসৱক ‘ছাকুৰা’, বোলা হয় যাৰ অৰ্থ হ'ল বসন্ত কালৰ আগমনক সম্ভাষণ জনোৱা। উৎসৱটি পালন কৰাৰ বাবে যিবোৰ কাৰ্য্য কৰা হয় তাক হানামী বোলা হয়।

এই সময়ছোৱাত মানুহৰ মনবোৰ প্ৰফুল্লিত হৈ পৰে। গছবোৰৰ তলত মানুহবোৰ সমবেত হৈ নানা ধৰণৰ খাদ্য, পানীয় খাই নৃত্য-গীতৰ জৰিয়তে আনন্দ-উপভোগ কৰে।

১৯১২ চনৰ ২৭ মাৰ্চত টকিঅ' চহৰৰ মেয়ৰ য়োকিঅ' ওজাকিয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰলৈ বন্ধুত্বৰ চিন স্বৰূপে উপহাৰ হিচাপে ছেৰী ফুলৰ গছ আগ বঢ়াইছিল। তেতিয়াৰ পৰা দুয়োখন ৰাষ্ট্ৰই পৰস্পৰৰ মাজত বন্ধুত্বক স্থায়ী ৰূপ প্ৰদান কৰাৰ অৰ্থে এই উৎসৱ প্ৰতি বছৰে পালন কৰে।

প্ৰতি বছৰে নৱেম্বৰ মাহৰ ২৫ তাৰিখৰ পৰা ২৭ তাৰিখলৈ মেঘালয়ৰ ৰাজধানী শ্বিলঙতো এই উৎসৱ পালন কৰা হয়। এইছোৱা সময়ত মেঘালয় ৰাজ্যৰ আকাশ-বতাহ ছেৰী ফুলৰ সমাহাৰেৰে গুলপীয়া হৈ পৰে।

জাপান, জাৰ্মানী, ফ্ৰান্স আদি দেশতো এই উৎসৱ পালন কৰা হয়। এই সময়ছোৱাত ৰাষ্ট্ৰকেইখনত দূৰ-দূৰণিৰ পৰা পৰ্য্যটকসকল বসন্ত কালৰ প্ৰকৃতিৰ এই বিনন্দীয়া ৰূপ উপভোগ কৰিবলৈ আহে।

জাপানত এই সময়ছোৱাত গছবোৰৰ তলত বনভোজৰ আয়োজন কৰা হয়। চাৰু-কাৰু কলা আৰু খাদ্যৰ বিপণিৰে পথবোৰৰ দাঁতিত পৰ্য্যটকৰ বাবে মেলাৰ আয়োজন কৰে। বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, যেনে—জাপানৰ পৰম্পৰাগত নৃত্য, নাটক আদিৰো আয়োজন কৰা হয়।

ৱাশ্বিংটনত ৪ সপ্তাহলৈ অৰ্থাৎ ২০ মাৰ্চৰ পৰা ১৭ এপ্ৰিললৈ এই উৎসৱৰ আয়োজন কৰা হয়। আনহাতে মেঘালয়ত ৱাৰ্ডচ লেক আৰু প'ল' গ্ৰাউণ্ডত এই উৎসৱৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে এইছোৱা সময়ত জাপানত বগাৰ পৰা গুলপীয়ালৈ প্ৰায় ২০০ বিধ বিভিন্ন ধৰণৰ ছেৰী ফুলৰ প্ৰজাতিয়ে প্ৰকৃতিক বিনন্দীয়া কৰি সজাই তোলে।

পৃথিৱীৰ ভিতৰত ছেৰী ফুলৰ ৰাজধানী বুলি জৰ্জিয়াৰ মেকনক অভিহিত কৰা হয়। ইয়াত প্ৰায় ৩ লাখৰ পৰা ৩.৫০ লাখ ফুলৰ সমাহাৰেৰে এক নয়নাভিৰাম দৃশ্য দেখিবলৈ পোৱা যায়। জাপানৰ পৰম্পৰা অনুসৰি এই ফুলবিধ কোনেও ছিঙিব নোৱাৰে, কেৱল তলসৰা ফুলৰ পাপৰিহে ল'ব পাৰে। নিশা ফুলবোৰৰ সৌন্দৰ্য্যবৰ্দ্ধন কৰিবলৈ গছবোৰত বিজুলী বাতি ওলমাই দিয়া হয়।

প্ৰকৃতিপ্ৰেমী এই দেশবোৰৰ প্ৰকৃতিৰ সৌন্দৰ্য্য উপলব্ধি কৰাৰ নিদৰ্শন পৃথিৱীৰ আন দেশবোৰেও লোৱা উচিত। আমাৰ অসমতো বসন্ত কালত প্ৰকৃতি ৰং-বিৰঙী ফুলেৰে জাতিষ্কাৰ হৈ পৰে। ফুলৰ এনে উৎসৱৰ আয়োজনে আমাৰ ৰাজ্যখনকো পৰ্য্যটন তথা অৰ্থনৈতিক দিশত যোগাত্মক অৰিহণা আগ বঢ়াব বুলি আশা কৰিব পাৰি। ❖

## চুড়'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (মে', ২০২৩)

কৃষ্টিনা বৰ্মন (নৱম ঘ), নিয়ৰ জ্যোতি ডেকা (অষ্টম গ), নিশান্ত ৰাজবংশী (অষ্টম গ), বিশাখা ভৰদ্বাজ (অষ্টম গ), ময়ংক পাঠক (অষ্টম গ), ধৃতিস্মিতা পাঠক (অষ্টম গ), যুক্তা গোস্বামী (অষ্টম গ), প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (পঞ্চম গ), অভিজ্ঞান দীপক বৰগয়াৰী (পঞ্চম গ), আবিৰ হুছেইন (পঞ্চম গ), তন্ময় ৰাজচৌধুৰী (পঞ্চম গ), হৰ্যিতা মেধি (নৱম খ), অৰিহণা ডেকা (দশম খ), শ্ৰুতি কলিতা (অষ্টম গ), মৃন্ময় মজুমদাৰ (সপ্তম ক), ৰক্তিম ডেকা (সপ্তম ক), তেজস্বীন মিশ্ৰ (পঞ্চম ঘ) ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল (মে', ২০২৩)

জাহ্নু বিকাশ শৰ্মা (পঞ্চম গ), অংগাৰিকা শৰ্মা (সপ্তম ঘ), প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (পঞ্চম গ), অভিজ্ঞান দীপক বৰগয়াৰী (পঞ্চম গ), আবিৰ হুছেইন (পঞ্চম গ), তন্ময় ৰাজচৌধুৰী (পঞ্চম গ), বিমান কলিতা (নৱম ঘ), অভিৰূপ আকাশ শাণ্ডিল্য (ষষ্ঠ ক), প্ৰভাংশু শেখৰ কৌশিক (নৱম ঘ), শৌভিক শৰ্মা (ষষ্ঠ গ), বাস্তৱ দাস (ষষ্ঠ ক)।❖

# কুইজ

■ **দীপাংকৰ কৌশিক**

১। এই বঁটাটো ২০০৫ চনত প্ৰথমবাৰ আগ বঢ়োৱা হৈছিল আলবেনিয়াৰ লেখক ইছমাইল কাদেৰলৈ। ২০২২ চনত বঁটাটো লাভ কৰিছে ভাৰতৰ গীতাঞ্জলি শ্ৰীয়ে। ২০২৩ বৰ্ষৰ বাবে বঁটাটো লাভ কৰিছে বুলগেৰিয়াৰ জৰ্জি গ'ছপডিনভে। কোনটো বঁটা বাৰু?

২। এম চি মেৰীকম, লেখা কে চি, জেনী আৰ এল, এল সৰিতা দেৱী, নিখাত জাৰিন, নীতু ঘাংগাছ, লাভলীনা বৰগোহাঁই, ছুইটী বৰা—এইকেইগৰাকী বক্সাৰৰ মাজত থকা সম্পৰ্কটো কি বাৰু?

৩। ২০১৫ চনৰ পৰা ২০২১ চনলৈ তেওঁ আছিল ঝাৰখণ্ডৰ ৰাজ্যপাল। ২০০৭ চনত আকৌ ওড়িশাৰ শ্ৰেষ্ঠ বিধায়কৰ নীলকণ্ঠ বঁটা লাভ কৰিছিল তেওঁ । কাৰ কথা কৈছোঁ বাৰু ?

৪। ডাক্তৰ বেজবৰুৱা ২—এইখন অসমীয়া চলচ্চিত্ৰখন মুক্তি পাইছিল ২০২৩ চনৰ ৩ ফেব্ৰুৱাৰীত। 'পিয়লি ফুকন' ছবিখনেৰে অভিনয় জীৱন আৰম্ভ কৰা কোনগৰাকী প্ৰসিদ্ধ অভিনেতাই এই ছবিখন পৰিচালনা কৰিছিল?

৫। হ'লআইট, হাউ ডু ইউ মিজাৰ এ ইয়েৰ, দ্য মাৰ্থা মিটচেল ইফেক্ট, ষ্ট্ৰেঞ্জাৰ এট দ্য গেট—৯৫ সংখ্যক অস্কাৰ বঁটাত এইকেইখন পৰাস্ত হৈছিল। জয়ী 'কোন' হৈছিল বাৰু?

৬। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগত এতিয়ালৈ খেলা অসমৰ খেলুৱৈ দুজন হৈছে আবু নেচিম আহমেদ আৰু ৰিয়ান পৰাগ। ২০২৩ চনৰ মহিলাৰ প্ৰিমিয়াৰ লীগত খেলা একমাত্ৰ অসমীয়া খেলুৱৈগৰাকী কোন বাৰু?

৭। গোলাঘাট জিলাৰ ইন্সটিটিউট অৰ হেণ্ডিক্ৰাফ্ট ডেভেলপমেণ্টে ২০১৭ চনত দাখিল কৰা আবেদনৰ জৰিয়তে কোনটো বিশেষ প্ৰক্ৰিয়াৰ আৰম্ভণি হৈছিল?

৮। বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ জন্মদিন ৩১ মাৰ্চ। ২০২৩ চনৰ পৰা অসম চৰকাৰে তেওঁৰ ওপজা দিনটো কি দিৱসৰূপে পালনৰ কথা ঘোষণা কৰে?

৯। কিম ক'টন (Kim Cotton)—নিউজিলেণ্ডৰ এইগৰাকী মহিলাই ক্ৰিকেট বিশ্বত ২০২৩ চনৰ ৫ এপ্ৰিলত ইতিহাস সৃষ্টি কৰে। কিদৰে বাৰু?

১০। 'হেমকোষ'ৰ ব্ৰেইল সংস্কৰণে ২০২৩ চনত গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছত স্থান লাভ কৰে। এইখন হৈছে দক্ষিণ-পূব এছিয়াৰ প্ৰথমখন পূৰ্ণাংগ ব্ৰেইল লিপিৰ অভিধান। দৃষ্টিহীনসকলৰ বাবে প্ৰকাশ কৰা হৈছে এই অভিধানখন। ১৯১৯ চনত প্ৰকাশিত 'হেমকোষ'ৰ প্ৰণেতা কোন আছিল বাৰু?

১১। বধাই দো—এইখন চলচ্চিত্ৰৰ বাবে অসমৰ বৰপেটাৰ সুমন অধিকাৰীয়ে ২০২৩ চনত লাভ কৰে দুটাকৈ ফিল্মফেয়াৰ বঁটা। ১৯৭৭ চনত ২৪ সংখ্যক ফিল্মফেয়াৰ বঁটাত 'বালিকা বধূ' ছবিখনৰ বাবে সম্পাদনা শিতানত শ্ৰেষ্ঠত্ব অৰ্জন কৰিছিল এগৰাকী অসমীয়াই আৰু তেৰেঁই আছিল এই বঁটা লাভ কৰা প্ৰথমজন অসমীয়া। কোন বাৰু?

১২। ২০২৩ চনৰ সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত মেঘালয়ক ৩-২ গ'লত পৰাস্ত কৰি বিজয়ী হয় কৰ্ণাটক। বিজয়ী কৰ্ণাটক দলটোৰ গ'লৰক্ষকজন আছিল এজন অসমীয়া। কোন বাৰু তেওঁ?

১৩। ১৯৫৫ চনৰ বাবে 'বনফুল', ১৯৬০ চনৰ বাবে 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত', ১৯৬১ চনৰ বাবে 'ঈয়াৰুইংগম' আৰু ১৯৬৪ চনৰ বাবে 'অসমৰ লোক সংস্কৃতি' হয়, তেনেহ'লে ২০২২ চনৰ বাবে কি হ'ব বাৰু?

১৪। এলেছ বিয়ালতস্কি, 'মেম'ৰিয়েল' আৰু 'চেণ্টাৰ ফ'ৰ চিভিল লিবাৰ্টিজ'ৰ মাজৰ সম্পৰ্কটো কি?

**চিত্ৰ সংকেত**



১৫। কোনটো আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ তেওঁ চতুৰ্দশগৰাকী অধ্যক্ষ বাৰু? ❖

# নাগশংকৰ মন্দিৰ

■ বনালী বৰুৱা কাশ্যপ



আমাৰ অসম ৰাজ্যখন নানা মঠ-মন্দিৰ আৰু কীৰ্তিস্তম্ভৰে ভৰি আছে। মঠ-মন্দিৰ, কীৰ্তিস্তম্ভবোৰ অসমৰ পুৰণি স্থাপত্য আৰু ভাস্কৰ্য্যৰ সুন্দৰ নিদৰ্শন। লগতে এই মঠ-মন্দিৰসমূহে অসমৰ পৰম্পৰা, কলা-কৃষ্টি আদিৰ কথাও বুজাত অৰিহণা যোগায়। এই মঠ-মন্দিৰ তথা কীৰ্তিস্তম্ভসমূহৰ বেছিভাগেই কোচ, কছাৰী বা আহোমৰ শাসন কালত নিৰ্মিত আৰু এইসমূহে সেই সময়ৰ গৌৰৱময় ইতিহাসৰ কথা সোঁৱৰাই দিয়ে। অসমৰ এই পুৰণি দেৱ-দেৱীৰ মন্দিৰসমূহৰ সৈতে বহুতো পৌৰাণিক কাহিনী সংযুক্ত হৈ আছে। অসমৰ এই পুৰণি মন্দিৰসমূহৰ ভিতৰত এটা ঐতিহ্যমণ্ডিত মন্দিৰ হৈছে নাগশংকৰ মন্দিৰ।

নাগশংকৰ মন্দিৰ শোণিতপুৰ জিলাৰ তেজপুৰৰ পৰা প্ৰায় ৫৮ কিল'মিটাৰ দূৰত, ৫২ নং ঘাইপথৰ পৰা দক্ষিণে মাত্ৰ ১ কিল'মিটাৰ ভিতৰত অৱস্থিত। মন্দিৰটোৰ নামৰ পৰাই মন্দিৰ অৱস্থিত অঞ্চলটো নাগশংকৰ নামেৰে জনাজাত হয়। নাগশংকৰ মন্দিৰটো এটা ঐতিহ্যমণ্ডিত শিৱ মন্দিৰ।

নাগশংকৰ মন্দিৰৰ লগত জড়িত কেইবাটাও পুৰণি কাহিনী আৰু কিংবদন্তি আছে। এক কিংবদন্তি অনুসৰি, বিষ্ণুৱে যেতিয়া সতীৰ দেহ খণ্ডিত কৰিছিল তেতিয়া শিৱই সতীৰ দেহটো কান্ধত লৈ গোটেই পৃথিৱী ঘূৰি ফুৰিছিল। সেই সময়ত সতীৰ দেহৰ নাভি অংশ এই স্থানত পৰিছিল আৰু এই নাভি পৰা স্থানতে এই মন্দিৰটো স্থাপন কৰা হৈছিল। সেইবাবে এই মন্দিৰটোৰ নাম প্ৰথমে নাভিশংকৰ দিয়া হৈছিল আৰু পাছলৈ নাগশংকৰ মন্দিৰ নামেৰে জনাজাত হয়।

আন এক কিংবদন্তি মতে শোণিতপুৰত বাণ ৰজাই ৰাজত্ব কৰা সময়ত বিশ্বনাথত দ্বিতীয় কাশী স্থাপন কৰিব খুজিছিল আৰু সেই মৰ্মে তেওঁ বিশ্বনাথত ১০০০ শিৱলিংগ স্থাপন কৰিছিল। কিন্তু মহাদেৱে যেতিয়া দ্বিতীয় কাশী ভ্ৰমণ কৰিবলৈ আহিছিল, সেই সময়ত তেওঁ বিশ্বনাথত এটা শিৱলিংগ কম দেখা পায় আৰু মনৰ বেজাৰতে তাতে টোপনি যায়। সেই সময়ত মহাদেৱৰ নাভিয়ে যিটো স্থানত স্পৰ্শ কৰিছিল তাতে এটা শিৱ লিংগ স্থাপন কৰি পূজা-অৰ্চনা কৰা হৈছিল আৰু তাতেই নাগশংকৰ মন্দিৰ গঢ় লৈ উঠিছিল।

এই মন্দিৰৰ নিৰ্মাণ সম্পৰ্কে সঠিকভাৱে জনা নাযায়। কিন্তু এক বিশ্বাস অনুসৰি লোহিত্য বংশৰ ৰজা নাগশংকৰে চতুৰ্থ শতিকাৰ শেষৰফালে এই মন্দিৰটো নিৰ্মাণ কৰিছিল। আন এক বিশ্বাস মতে নাগশংকৰ মন্দিৰটো নাগমট্ট (অৰিমত্ত) ৰজাই নিৰ্মাণ কৰিছিল।

১৪৮০ চনত আহোম ৰজা চুচেনফাই নাগশংকৰ মন্দিৰটো পুনৰ নিৰ্মাণ কৰোৱাইছিল।

নাগশংকৰ মন্দিৰত এটা প্ৰকাণ্ড পুখুৰী আছে। এই পুখুৰীত বিভিন্ন ধৰণৰ মাছ আৰু প্ৰায় ৫০০তকৈও অধিক বিভিন্ন প্ৰজাতিৰ কাছ আছে। ইয়াৰে কিছুমান কাছৰ বয়স কেইবা শ বছৰ। ইয়াৰ ভিতৰত কেইবাটাও মাছ আৰু কাছৰ প্ৰজাতি বিপদাপন্ন বুলি চিহ্নিত। ইয়াৰ উপৰি মন্দিৰৰ চৌপাশে ময়ূৰ, হৰিণ আদিও দেখা যায়। এই সকলোবোৰে মন্দিৰৰ চৌপাশটো সুন্দৰ কৰি তুলিছে আৰু ই পৰ্য্যটকৰ আকৰ্ষণস্থলী হৈ পৰিছে। ❖

# মানসিক সামৰ্থ্য বিকাশ

**■ ৰবীন্দ্ৰ বৰ্মন**

1. প্ৰথম চিত্ৰত থকা সংখ্যাবোৰৰ মাজত থকা সম্পৰ্ক উলিওৱাঁ আৰু সেইমতে? চিনৰ ঠাইত কি সংখ্যা বহিব উলিওৱাঁ।


| | | |
|---|---|---|
| 3 | 15 | 9 |
| 12 | 6 | 18 |


| | | |
|---|---|---|
| 5 | 25 | 15 |
| 20 | ? | 30 |

উত্তৰ : প্ৰথম চিত্ৰৰ সংখ্যাবোৰ 3ৰ গুণিতক। দ্বিতীয় চিত্ৰৰ সংখ্যাবোৰ 5ৰ গুণিতক। দ্বিতীয় চিত্ৰৰ '?' চিন নথকা ঠাইত প্ৰথম চিত্ৰত 6 আছে আৰু $3 \times 2 = 6$।

∴ '?' চিনৰ ঠাইত থকা সংখ্যাটো $= 5 \times 2 = 10$.

2. তলৰ চিত্ৰ দুটা নিৰীক্ষণ কৰি '?' চিত্ৰৰ ঠাইত কি সংখ্যা বহিব উলিওৱাঁ।









উত্তৰ : প্ৰথম চিত্ৰত থকা সংখ্যাবোৰৰ নিয়ম :

1ৰ বিপৰীতে থকা ঘৰটোত আছে 2। তাৰপৰা ঘড়ীৰ কাঁটাৰ দিশত এঘৰ আগুৱাই আছে 3। 3ৰ বিপৰীতে আছে 4। তাৰপৰা ঘড়ীৰ কাঁটাৰ দিশত এঘৰ আগুৱাই আছে 5। 5ৰ বিপৰীতে আছে 6। তাৰপৰা ঘড়ীৰ কাঁটাৰ দিশত এঘৰ আগুৱাই আছে 7। 7ৰ বিপৰীতে আছে 8।

একে নিয়মেৰে দ্বিতীয় চিত্ৰৰ '?' চিনৰ ঠাইত হ'ব 18।

3. প্ৰথম চিত্ৰৰ সংখ্যাবোৰৰ নিয়মটো উলিয়াই দ্বিতীয় চিত্ৰৰ '?' চিত্ৰৰ ঠাইত কি সংখ্যা হ'ব উলিওৱাঁ।




উত্তৰ : প্ৰথম চিত্ৰ থকা সংখ্যাবোৰৰ মাজৰ সম্পৰ্কটো হ'ল $(98 + 35) - 3 = 130$

দ্বিতীয় চিত্ৰত, $(106 + 11) - 7 = 110$

∴ '?' চিনৰ ঠাইত হ'ব 110।

4. প্ৰথম চিত্ৰৰ সংখ্যাবোৰৰ নিয়মটো উলিয়াই দ্বিতীয় চিত্ৰৰ ‘?’ চিনৰ ঠাইত কি সংখ্যা হ’ব উলিওৱাঁ।




উত্তৰ : প্ৰথম চিত্ৰত,

(5 × 3) + 2 = 17


দ্বিতীয় চিত্ৰত, (7 × 4) + 5 = 33

∴ ‘?’ চিনৰ ঠাইত হ’ব 33।

**অনুশীলনী**


তলৰ চিত্ৰবোৰৰ ‘?’ চিন থকা ঠাইত কি সংখ্যা হ’ব উলিওৱাঁ। a, b, c, dৰ ভিতৰত এটা শুদ্ধ উত্তৰ আছে।

1.





(a) 30 (b) 40 (c) 56 (d) 45

2.





(a) 12 (b) 24 (c) 30 (d) 9

3.





(a) 16 (b) 49 (c) 18 (d) 20

4.




(a) 130 (b) 370 (c) 220 (d) 160

5.




(a) 30 (b) 31 (c) 45 (d) 41

**উত্তৰসমূহ :**

1. c) 56 2. b) 24 3. a) 16

4. c) 220 5. d) 41

# বাণিজ্যে বসতে লক্ষ্মী

■ পল্লৱী গোস্বামী



বাণিজ্যত লক্ষ্মী বাস কৰে। এখন দেশৰ বাণিজ্যিক অৱস্থাৰ ওপৰত দেশখনৰ উন্নতি নিৰ্ভৰ কৰে। আমাৰ অসমীয়া লোকসকল ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত আগ বাঢ়িবলৈ কিছু দ্বিধাগ্ৰস্ত হোৱা দেখা যায়। কিন্তু ঊনৈছ শতিকাতে অসমীয়া জাতিৰ বাণিজ্যমুখী চিন্তাধাৰাৰ মান ৰাখি গৈছিল এজন প্ৰকৃত অসমীয়াই। তেওঁ আছিল সাউদ ভোলানাথ বৰুৱা। যিয়ে টাটা, বিৰলা, আম্বানীৰ দৰে উদ্যোগীৰ জন্মৰ আগতেই ভাৰতবৰ্ষত ব্যৱসায়ৰ সাম্ৰাজ্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

নগাঁৱৰ পুৰণি গুদামত ১৮৫৩ চনৰ ২৩ মে' তাৰিখে ভোলানাথ বৰুৱাৰ জন্ম হয়। বাল্য কালতেই পিতৃ ঘনশ্যাম বৰুৱাৰ বিয়োগ হোৱাত গুৱাহাটীলৈ আহি ভিনিহিয়েকৰ ঘৰত থাকিবলৈ লয়। সেই সময়তে তেওঁৰ পৰিচয় ঘটে হেমচন্দ্ৰ বৰুৱাৰ সৈতে। তাৰ পাছত তেওঁ হেমচন্দ্ৰ বৰুৱাৰ ঘৰত থাকিবলৈ লয় আৰু তাতেই সেই সময়ৰ এজন বেছ প্ৰতিপত্তি থকা মানুহ ফটিক চন্দ্ৰ বৰুৱাৰ সৈতে সম্পৰ্ক গঢ়ি উঠে। এই ফটিক চন্দ্ৰ বৰুৱাই ভোলানাথ বৰুৱাক অসমৰ প্ৰথম পঞ্জীয়নভুক্ত ব্যৱসায়িক প্ৰতিষ্ঠান মেছাৰ্ছ বৰুৱা ফুকন ব্ৰাদাৰ্ছত মাহে ৩০ টকীয়া চাকৰিত সুমুৱাই দিয়ে। এই ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী অন্নদাৰাম ফুকন আৰু মাণিক চন্দ্ৰ বৰুৱাৰ চাহ, কাঠ, প্লাইউড আদি অনেক কাৰবাৰত হাত আছিল। তাৰে কাঠৰ কাৰবাৰত পাছলৈ ভোলানাথ বৰুৱাক মেনেজাৰ পাতিছিল। ভোলানাথ বৰুৱা আছিল দূৰদৰ্শী আৰু সময়ৰ সদ্ ব্যৱহাৰ কৰাত পাকৈত ব্যক্তি। কাঠৰ ব্যৱসায়ৰ বিভিন্ন কথা শিকি তেওঁ ১৮৯০ চনত কলিকতালৈ গৈ তাৰে কাঠৰ ব্যৱসায়ী এজনৰ লগত কাম কৰিবলৈ লয়। এইদৰে দুপইছামান ঘটি ১৮৯৪ চনত ওড়িশাত নিজাববীয়াকৈ কাঠৰ কাৰবাৰ আৰম্ভ কৰে। তাৰ পাছত বৃটিছ চাহাব এজনে চলাই থকা বেংগল টিম্বাৰ কোম্পানীৰে লগ লাগি ঠিকাৰ কাম কৰি কম দিনৰ ভিতৰতে 'টিম্বাৰ প্ৰিন্স অৱ বেংগল' ৰূপে পৰিচিত হ'বলৈ সক্ষম হয়। এইদৰে লাহে লাহে এজন ক্ষমতাশালী ব্যক্তিলৈ পৰিণত হয় আৰু কাঠ, কয়লা, চাহ, প্লাই, মৰাপাট, টিন, কেৰাচিন আদি অনেক বেপাৰত তেওঁৰ বিনিয়োগ বাঢ়ি যায়। ওৰিশাত তেওঁ 'জুট মাৰ্চেণ্ট' নামে খ্যাতি অৰ্জন কৰিলে। ১৮৯৪ চনৰ পৰা ১৯০৪ চনলৈ লক্ষ্মীনাথ বেজবৰুৱাও তেওঁৰ সহযোগী ব্যৱসায়ী আছিল। ১৮৯৯ চনত তেওঁ লোহা, টিন আদিৰ বাকচ বনোৱা কাৰখানা খুলিও বেছ লাভবান হৈছিল। লণ্ডনৰ পৰা লোৰ বাকচ আনি কলিকতাত বিক্ৰী কৰিছিল। 'শালিমৰা' নামে ঠাইত আছিল তেওঁৰ এক বৃহৎ আইৰন ফেক্টৰী। হেমচন্দ্ৰ গোস্বামীয়ে ভোলানাথ বৰুৱাৰ ব্যৱসায়িক সফলতাত মুগ্ধ হৈ এঠাইত লিখিছিল— "মানুহজনৰ Business capacity দেখি আনন্দ পালোঁ, কি ক'ম ! বিদেশত আহি এজন কোনো সাৰথি নোহোৱা অসমীয়া মানুহে এনেকৈ কাৰবাৰ কৰা দেখিলে আমাৰ জাতিৰ ভৱিষ্যৎ সম্বন্ধে অনেক আশা হয়।"

ব্যৱসায় বুলিলে ভোলানাথ বৰুৱাই সমুখত যি পাইছিল একো এৰা নাছিল। সেই সময়ৰ ভাৰতৰ খ্যাতিমান ব্যৱসায়ী ভগৱান দাস বগুলা, চিমনলাল গান্ধেৰীৱালা, মতিলাল ৰাধাকিষণ আদিয়ে তেওঁৰ ওচৰত হাত পাতিব লগা হৈছিল। শেষলৈ তেওঁৰ কাৰবাৰৰ কলেবৰ ইমান বাঢ়িল যে পাছত এটা লিমিটেড

কোম্পানী খুলি কলিকতাৰ প্ৰখ্যাত মাৰ্টিন কোম্পানীক মেনেজিং এজেণ্ট নিয়োগ কৰিছিল। কলিকতা, দিল্লী আৰু ছিমলাৰ প্ৰায় দহখনমান ঠাইত ভোলানাথ বৰুৱাৰ নিজা ঘৰ-বাৰী আছিল।

ভোলানাথ বৰুৱা ইমান ডাঙৰ ব্যৱসায়ী হৈও নিজৰ ভাষা, জাতি, গাঁও একো পাহৰা নাছিল। কলিকতাত থকা অসমীয়া ছাত্ৰসকলক তেওঁ প্ৰায়ে সংগ দিছিল। কলিকতাত অসমীয়া উদ্যমী যুৱক লগ পালে পকেটৰ পইছা দি তেওঁ সহায় কৰিছিল। হেমচন্দ্ৰ গোস্বামীয়ে যুগুতাই উলিওৱা 'অসমীয়া সাহিত্যৰ চানেকি' প্ৰকাশৰ বাবে তেওঁ কলিকতা বিশ্ববিদ্যালয়লৈ দহ হাজাৰ টকাৰ অনুদান আগ নবঢ়ালে আজি আমি ভাষা ৰক্ষাৰ ক্ষেত্ৰত হয়তো বহুদূৰ পিছুৱাই থাকিলোঁহেঁতেন। তদুপৰি কাশী হিন্দু বিশ্ববিদ্যালয়ৰ বাবে তেওঁ দান কৰে এক লাখ বিছ হাজাৰ টকা, বিশাখাপট্টনমৰ কিং জৰ্জ হাস্পতাল পাতিবৰ বাবে ৩৫ হাজাৰ টকাৰ বৰঙণি আগ বঢ়ায়। কলিকতা বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে ১০ হাজাৰ আৰু বালিগঞ্জৰ বালিকা বিদ্যালয়ৰ বাবে পাঁচ হাজাৰ টকাৰ অনুদান আগ বঢ়োৱাটো তেতিয়াৰ দিনত কম কথা নাছিল। ঝাৰ সোগড়াত কাঠৰ মহলৰ কাম কৰি থাকোঁতে তেওঁ ৰাইজৰ সহায় নোহোৱাকৈ নিজৰ পকেটৰ পৰা দহ হাজাৰ টকা খৰচ কৰি 'ভোলানাথ বৰুৱা ডিছপেন্সেৰী' খুলিছিল। তেওঁ বৈদ্যুতিক সামগ্ৰী, শিলগুটি যোগান, কপাহ আদিৰো ব্যৱসায় কৰিছিল। অসমৰ এৰী, মুগা, পাটৰ বস্ত্ৰৰ কাৰবাৰ কৰি জোনাকী কাকতত আসাম ছিল্কৰ বিজ্ঞাপন দিছিল।

হেমচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা কথা ভাগৱত, কথা গীতা, অংকীয়া নাট, অসমীয়া পুথিৰ বৰ্ণনামূলক তালিকা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'শ্ৰীশ্ৰীশংকৰদেৱ আৰু মাধৱদেৱ' নামৰ পুথি প্ৰকাশৰ বাবে তেওঁ আৰ্থিক সহযোগিতা আগ বঢ়াইছিল। যোৰহাটত 'প্ৰিন্স অৱ ওৱেলচ' নামে এখন টেকনিকেল স্কুল স্থাপন কৰিবলৈ তেওঁ অসম চৰকাৰক এক লাখ টকা দিছিল। অসমৰ প্ৰাথমিক শিক্ষাৰ বিকাশৰ বাবে প্ৰায় এশ কোটি টকাৰ হাওৰাত থকা তেওঁৰ স্থাবৰ সম্পত্তি অসম চৰকাৰলৈ আগ বঢ়াই গৈছিল। তেওঁ য'লৈকে গৈছিল তাতেই মুক্তহস্তে দান কৰিছিল।

ভোলানাথ বৰুৱাৰ কোনো উচ্চ শিক্ষা নাছিল। জানিব পৰা মতে তেওঁ প্ৰথম শ্ৰেণীলৈহে পঢ়িছিল। কিন্তু শিক্ষা আৰু শিক্ষিতৰ প্ৰতি তেওঁৰ পৰম শ্ৰদ্ধা আছিল। তেওঁ চিৰকুমাৰ আছিল। জীৱনৰ সমস্ত উপাৰ্জন সামাজিক কল্যাণৰ হকে বিলাই দিছিল। ১৯১৮ চনমানৰ পৰা শাৰীৰিক অসুস্থতাৰ হেতু তেওঁ এই বিৰাট কৰ্মযজ্ঞৰ পৰা অৱসৰ লয় আৰু ১৯২৩ চনৰ ৩০ মে' তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

১৯২৩ চনৰ ৩০ মে' তাৰিখে ইহলীলা ত্যাগ কৰা ভোলানাথ বৰুৱাৰ এইবাৰ মৃত্যু শতবৰ্ষ। তেজপুৰত ২০১৯ চনৰ পৰা 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ই এই দিনটো 'বাণিজ্য দিৱস' হিচাপে পালন কৰি আহিছে। এই দিৱসটো সমগ্ৰ অসমতে উদ্‌যাপিত হোৱাৰ প্ৰয়োজন আছে। ❖

## তোমালোকৰ বাবে প্ৰশ্ন, জুন, ২০২৩

১। একেটা কেলেণ্ডাৰ বৰ্ষতে টেষ্ট, এদিনীয়া আন্তঃৰাষ্ট্ৰীয়, টী২০ আন্তঃৰাষ্ট্ৰীয় আৰু আইপিএলত শতক অৰ্জন কৰা প্ৰথমজন খেলুৱৈ কোন বাৰু?

২। অসমীয়া ভাষাৰ বিষয়ে অসমীয়া লেখকে লিখা প্ৰথম কিতাপখনৰ নামটো ইংৰাজী। কি বাৰু?

৩। সংগীতা বৰুৱা পিছাৰটি—এইগৰাকী সাংবাদিকলৈ ২০২৩ বৰ্ষৰ কোনটো বঁটা আগ বঢ়োৱা হৈছে?

৪। ড° লক্ষ্মীনন্দন বৰাৰ 'যৈচন গগন বিয়াপি' গ্ৰন্থখন কাৰ জীৱনৰ আধাৰত লিখা হৈছিল?

৫। ব্ৰেনক ডিভাইচ (Brannock Device)—কি জুখিবলৈ ব্যৱহাৰ কৰা হয়? ❖

# শিক্ষাৰ্থীয়ে আঁকা ছবি



দেবব্ৰত নাথ, ষষ্ঠ গ



চিৰঞ্জীৱ ডেকা, সপ্তম খ



ৰিংকি দাস, দ্বাদশ কলা



হিমনজ্যোতি শৰ্মা, ষষ্ঠ খ



জুৰিমা কুমাৰী, অষ্টম গ



জিজ্ঞাসা ৰয় , পঞ্চম খ




এনিছা সৰকাৰ, পঞ্চম গ



কৈলাস মন্দিৰ



হাম্পি



একতাৰ স্তম্ভ



নাগশংকৰ মন্দিৰ